# সুকন্যা
দেওবৰীয়া



ভিতৰৰ পৃষ্ঠাত

- ❑ ঘুগুহা দ'ল ঃ ঐতিহ্য-পৰ্যটনৰ সম্ভাৱনা
- ❑ গুৱাহাটীত ৮০গৰাকী শিল্পীৰ শিল্পকৰ্ম প্ৰদৰ্শন
- ❑ ৰাষ্ট্ৰীয় পৰ্যায়ত উজলিছে নিমাতীঘাটৰ নৰনীতা দাস
- ❑ নিকিতা-খুচী-ৰেবী-মিনুমাৰ জীৱন গঢ়াৰ অক্লান্ত আন্দোলন
- ❑ ৰেচিপি ঃ শৰতৰ শেৱালিৰে ডঁৰিকনাৰ জুতি
- ❑ মুখৰ উজ্জ্বলতা বৃদ্ধি কৰিবলৈ তুলসী জল



নিয়মীয়া বাৰ্তা ❑ দেওবাৰ, ২৭ অক্টোবৰ ২০২৪ www.niyomiyabarta.com




**প্ৰথম** কথা মই নিজে এগৰাকী নাৰী। সেইবাবে মই নাৰীসকলৰ বহু কথা ভালদৰে অনুভৱ কৰোঁ, যিটো হয়তো এগৰাকী পুৰুষৰ বাবে সম্ভৱ নহয়। এগৰাকী কন্যা হিচাপে, মাতৃ হিচাপে, গৃহিণী হিচাপে আৰু শেষত লেখক হিচাপে সমাজখনক যিদৰে দেখিছোঁ, সেইবোৰ স্তৰে স্তৰে অনুভৱ কৰিব পাৰিছোঁ। এগৰাকী নাৰীৰ দায়িত্বও মই গভীৰভাৱে উপলব্ধি কৰোঁ। মই দেখিছোঁ যে সমাজত নাৰীৰ স্থান সুকীয়া আৰু নাৰীৰ কৰ্তব্যপৰায়ণতাও মোৰ বাবে এক অনুভৱৰ বিষয়। সেয়ে মোৰ বাবে নাৰীকেন্দ্ৰিক চৰিত্ৰবোৰ প্ৰতিফলিত কৰা সহজ হয়...

# উপন্যাস লিখি মই আটাইতকৈ স্বাচ্ছন্দ্য অনুভৱ কৰোঁ

## বিশিষ্ট ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্য

**অসমৰ** প্ৰসিদ্ধ ঔপন্যাসিক, গল্পকাৰ তথা কবি মণিকুন্তলা ভট্টাচাৰ্য নাৰীৰ মনস্তত্ত্বৰ ওপৰত ভিত্তি কৰি লিখা উপন্যাসসমূহৰ বাবে পঢ়ুৱৈ সমাজৰ মাজত অতিশয় জনপ্ৰিয়। ছাত্ৰী অৱস্থাৰ পৰা এগৰাকী সাহিত্যিক হোৱাৰ সপোন দেখা ভট্টাচাৰ্যই বিগত দুটা দশকৰো অধিককাল অসংখ্য গল্প, উপন্যাস, কবিতা, শিশু সাহিত্য আৰু অনুবাদ কৰ্মৰ সৈতে গভীৰভাৱে জড়িত হৈ ২০০০ চনত সাহিত্যিক ৰূপে আত্মপ্ৰকাশ কৰে। ২০০২ চনত তেওঁৰ প্ৰথমখন গল্প সংকলন 'প্ৰস্তৰ কন্যা' প্ৰকাশ পায়। ২০০৫ চনত এই গ্ৰন্থখনে লাভ কৰে সন্মানজনক মুনিন বৰকটকী বঁটা। ইয়াৰ পৰৱৰ্তী সময়ত তেওঁৰ কলমেৰে নিগৰিত হৈছে ইখনৰ পিছত সিখন মূল্যৱান গ্ৰন্থ। এইপৰ্যন্ত তেওঁ ৫খন কাব্যগ্ৰন্থ, ৩খন প্ৰবন্ধ সংকলন, ২৫খন উপন্যাস, ৩খন শিশু উপন্যাস, ৫খন উপন্যাস সংকলন আৰু ৩খনৰো অধিক গ্ৰন্থ অনুবাদেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছে। অৱশ্যে কবিতাৰে আত্মপ্ৰকাশ কৰিলেও সম্প্ৰতি লেখকগৰাকী অসমৰ পাঠক সমাজৰ মাজত ঔপন্যাসিকৰূপে পৰিচিত। সাহিত্যৰ প্ৰায় প্ৰতিটো অংগলৈ অৱদান আগবঢ়োৱা ভট্টাচাৰ্য তেওঁৰ সৃষ্টিকৰ্মৰ স্বীকৃতিৰূপে ত্ৰিশৰো অধিক সন্মানেৰে বিভূষিত হৈছে। তেওঁৰ প্ৰতিভাৰ অনন্য স্বাক্ষৰ হিচাপে শিশু উপন্যাস 'ঈশ্বু'ৰে চলচ্চিত্ৰৰূপে ২০১৮ চনত 'ৰজত কমল বঁটা' লাভ কৰে। তদুপৰি 'বাঁহী' উপন্যাসৰ আধাৰত নিৰ্মিত কথাছবিৰ উপৰি কেইবাটাও কাহিনীৰে নিৰ্মিত হৈছে চুটি ছবি আৰু টেলিভিছনৰ ধাৰাবাহিক। কেইবাখনো গ্ৰন্থ বিভিন্ন ভাষালৈ অনুবাদ হোৱা ভট্টাচাৰ্যই দেশ-বিদেশৰ বিভিন্ন সাহিত্য অনুষ্ঠানলৈও নিমন্ত্ৰিত হৈছে। প্ৰায় প্ৰতিটো বৰ্ষতে ৩-৪খনকৈ উপন্যাস ৰচনা কৰা এইগৰাকী বিশিষ্ট ঔপন্যাসিক মণিকুন্তলা ভট্টাচাৰ্যৰ সৈতে হোৱা আছুতীয়া সাক্ষাৎকাৰ 'নিয়মীয়া বাৰ্তা'ৰ পঢ়ুৱৈলৈ আগবঢ়োৱা হ'ল—

**■ শৈশৱ কালৰ পৰা আপুনি এগৰাকী সাহিত্যিক হোৱাৰ সপোন মনত পুহি ৰাখিছিল। আজি আপুনি অসমীয়া উপন্যাস, গল্প, কবিতা, শিশু সাহিত্য, অনুবাদ সাহিত্য আদি প্ৰায় সকলো ক্ষেত্ৰতে অবাধ বিচৰণ কৰিবলৈ সক্ষম হৈছে। এইক্ষেত্ৰত আপোনাৰ অনুপ্ৰেৰণাৰূপে কাক মনত পেলাব?**

ঃ আমাৰ দেউতা প্ৰয়াত ভৱানী কুমাৰ শৰ্মা আছিল এজন চৰকাৰী ৰাজপত্ৰিত বিষয়া। চাকৰিসূত্ৰে দেউতাৰ লগত আমি অসমৰ বিভিন্ন স্থান নগাঁও, চতিয়া, বিশ্বনাথ, মঙলদৈ আদিত থাকিবলগীয়া হৈছিল। এই ঠাইবোৰৰ পৰিৱেশ-সংস্কৃতি আদিয়ে এক বৈচিত্ৰ্যময় অভিজ্ঞতাৰ জন্ম দিছিল। আটাইতকৈ ডাঙৰ কথাটো হৈছে— দেউতাই সৰুৰে পৰা মোৰ মনত কিতাপ পঢ়াৰ অভ্যাস গঢ়ি তুলিছিল। পঢ়িব জনা হোৱা-নোহোৱাৰ পৰাই তেওঁ বিভিন্ন কিতাপ আনি মোক পঢ়িবলৈ দিছিল। সেই কিতাপবোৰ অধ্যয়ন কৰি স্কুলীয়া দিনৰে পৰা মোৰ মনৰ ভিতৰত এগৰাকী লেখিকা হোৱাৰ বাসনা জগাই তুলিছিল। তদুপৰি আমাৰ মা শ্ৰীযুতা বীণা শৰ্মায়ো মোক অধ্যয়নৰ লগতে লিখা-মেলা কৰিবলৈ সৰ্বতোপ্ৰকাৰে উৎসাহিত কৰি আহিছে। বিবাহৰ পিছত মই লিখা-মেলাত অধিক মনোনিৱেশ কৰিছিলোঁ। এইক্ষেত্ৰত মোৰ স্বামী তথা ন্যায়াধীশ পৰাণ কুমাৰ ফুকনে যথেষ্ট উৎসাহ যোগাইছিল। তেওঁ নিজেও এগৰাকী অধ্যয়নশীল ব্যক্তি হোৱা বাবে বিশ্বৰ বহু আগশাৰীৰ লেখকৰ গ্ৰন্থ অধ্যয়ন কৰি মোৰ সৈতে সেই গ্ৰন্থবোৰৰ বিষয়ে আলোচনা কৰিছিল। তদুপৰি মোৰ প্ৰয়াত শাহুমা পাৰুল ফুকন আছিল মোৰ গ্ৰন্থবোৰৰ প্ৰথম পাঠক। প্ৰকাশ হোৱাৰ পূৰ্বেই তেওঁ মোৰ পাণ্ডুলিপিবোৰ পঢ়ি উৎসাহ দিছিল। মোৰ লিখা- মেলাত যাতে কোনো ধৰণৰ অসুবিধা নহয়, তাৰ বাবে সততে যত্নপৰ হৈছিল। ইয়াৰ উপৰি পঢ়ুৱৈসকল মোৰ বাবে আটাইতকৈ ডাঙৰ প্ৰেৰণা। তেওঁলোকে মোক লিখিবলৈ অনুপ্ৰেৰণা যোগাইছিল। আমাৰ একমাত্ৰ কন্যা আকাংক্ষা ফুকন আৰু জোঁৱাই ৰামানুজ শৰ্মায়ো মোক এইক্ষেত্ৰত যথেষ্ট সমৰ্থন আগবঢ়াই আহিছে।

**■ নাৰীৰ মনস্তত্ত্বক আপুনি আপোনাৰ সাহিত্যৰাজিৰ মাজত সুন্দৰভাৱে পৰিস্ফুট কৰি আহিছে। ইয়াৰ অন্তৰালত আপোনাক কোনবোৰ কাৰকে প্ৰভাৱিত কৰে?**

ঃ প্ৰথম কথা মই নিজে এগৰাকী নাৰী। সেইবাবে মই নাৰীসকলৰ বহু কথা ভালদৰে অনুভৱ কৰোঁ, যিটো হয়তো এগৰাকী পুৰুষৰ বাবে সম্ভৱ নহয়। এগৰাকী কন্যা হিচাপে, মাতৃ হিচাপে, গৃহিণী হিচাপে আৰু শেষত লেখক হিচাপে সমাজখনক যিদৰে দেখিছোঁ, সেইবোৰ স্তৰে স্তৰে অনুভৱ কৰিব পাৰিছোঁ। এগৰাকী নাৰীৰ দায়িত্বও মই গভীৰভাৱে উপলব্ধি কৰোঁ। মই দেখিছোঁ যে সমাজত নাৰীৰ স্থান সুকীয়া আৰু নাৰীৰ কৰ্তব্যপৰায়ণতাও মোৰ বাবে এক অনুভৱৰ বিষয়। সেয়ে মোৰ বাবে নাৰীকেন্দ্ৰিক চৰিত্ৰবোৰ প্ৰতিফলিত কৰা সহজ হয়। সেইবুলি মই পুৰুষবিদ্বেষী নহয়। দেউতা নহ'লে মোৰ জন্মই নহ'লহেঁতেন আৰু স্বামী নহ'লে মই মাতৃ হ'ব নোৱাৰিলোঁহেঁতেন। মই পুৰুষসকলক যথেষ্ট সন্মান কৰোঁ। মোৰ উপন্যাস আৰু গল্পত নাৰী চৰিত্ৰৰ লগতে পুৰুষ চৰিত্ৰয়ো প্ৰাধান্য লাভ কৰিছে।

**■ আপোনাৰ প্ৰথমখন গল্প সংকলন 'প্ৰস্তৰ কন্যা'ই ২০০৪ চনত সন্মানজনক মুনিন বৰকটকী বঁটা লাভ কৰিছিল। প্ৰথমখন গ্ৰন্থই এনে এটি সন্মানীয় বঁটা লাভ কৰাত আপোনাৰ কেনে অনুভৱ হৈছিল? গল্পবোৰৰ বিষয়বস্তু কি আছিল?**

ঃ সাহিত্যিক জীৱনৰ প্ৰথমটো সৃষ্টিয়ে এনে সন্মানজনক বঁটা লাভ কৰাত স্বাভাৱিকতে মই অভিভূত হৈ পৰিছিলোঁ। সেই ক্ষণটো মনত পৰিলে আজিও ৰোমাঞ্চিত হৈ পৰোঁ। 'প্ৰস্তৰ কন্যা'ত সন্নিৱিষ্ট গল্পসমূহৰ কাহিনী আছিল ভিন্নধৰ্মী। কোনোবাটো যদি নগৰকেন্দ্ৰিক, কোনোবাখনত আছে মাছমৰীয়া ছোৱালীৰ কাহিনী। মুঠতে গল্পবোৰত মানুহে প্ৰাধান্য লাভ কৰিছিল।

**■ আপোনাৰ সাহিত্যিক জীৱনৰ অন্যতম কীৰ্তিস্তম্ভ 'বৰদোৱানী'ৰ শীৰ্ষ চৰিত্ৰটো বাস্তৱ চৰিত্ৰ নেকি?**

ঃ উপন্যাসখনৰ শীৰ্ষ চৰিত্ৰ 'বৰদোৱানী'ক বহু পঢ়ুৱৈয়ে সঁচা চৰিত্ৰ বুলি ভাবে। আচলতে উপন্যাসখনৰ চৰিত্ৰবোৰৰ নামবোৰ সঁচা যদিও কাহিনীটো সঁচা নহয়। ধিঙৰ আঠগাঁৱৰ এই পৰিয়ালটো আমাৰ আইতাহঁতৰ চুবুৰীয়া আছিল। তেওঁলোকক মই সৰুৰে পৰা দেখিছিলোঁ। বৰদোৱানী, পুণ্যধৰ, ৰেণুমাই আদি নামবোৰ সঁচা যদিও তেওঁলোকৰ বাস্তৱ কাহিনীৰ সৈতে উপন্যাসখনৰ কাহিনীৰ কোনো সাদৃশ্য নাই। বাস্তৱ ক্ষেত্ৰত বৰদোৱানীৰ জীৱন বৰ কষ্টকৰ আছিল। ঘৰখনত কাজিয়া-পেচাল এক নিত্য-নৈমিত্তিক ঘটনা আছিল। কিন্তু উপন্যাসখনত তেওঁলোকৰ দাম্পত্য জীৱন মই বৰ মধুৰ ৰূপত দাঙি ধৰিছোঁ।

**■ আপুনি গল্প, কবিতা আৰু উপন্যাস এই তিনিওটা ক্ষেত্ৰতে অসমীয়া সাহিত্যলৈ অপৰিসীম বৰঙণি আগবঢ়াইছে। এই তিনিওটা বিভাগৰে কোনটোত আপুনি অধিক স্বাচ্ছন্দ্য অনুভৱ কৰে?**

ঃ আমাৰ অসম গল্পৰ দেশ, সাধুকথাৰ দেশ। ফুটপাথত দুজন মানুহ লগ হ'লেই গল্প ক'বলৈ আৰম্ভ কৰে। দুজনী মানুহ লগ হ'লেও গল্প কয়। ম'বাইলত কথা পাতিলেও গল্পৰ উন্মেষ ঘটে। সেইবাবে গল্প লিখিবই লাগিব। আনহাতে, কবিতা মোৰ বাবে এক স্বৰ্গীয় অনুভৱ। মোৰ মনলৈ এটা কবিতা অহাৰ বাবে মই আগ্ৰহেৰে অপেক্ষা কৰি থাকোঁ। কিন্তু উপন্যাস লিখি মই আটাইতকৈ বেছি স্বাচ্ছন্দ্য অনুভৱ কৰোঁ। উপন্যাস মই যিকোনো সময়তে লিখি থাকি ভাল পাওঁ। এখন উপন্যাস লিখি থকা সময়ত আন এখন উপন্যাসৰ কাহিনীয়ে মোৰ মনত জুমুৰি দি ধৰে। সেইবাবে মই একে সময়তে ৩-৪খন উপন্যাস লিখিবলৈ আৰম্ভ কৰোঁ। একে সময়তে কমেও দুখন উপন্যাস হাতত থাকিলে মই ভাল পাওঁ। এনে আগ্ৰহৰ বাবেই হয়তো মোৰ উপন্যাসৰ সংখ্যা অধিক আৰু এগৰাকী ঔপন্যাসিকৰূপে মই বেছি পৰিচিত।

**■ আপোনাৰ প্ৰথমখন উপন্যাসৰ জন্ম যন্ত্ৰণা আৰু সৃষ্টিৰ আনন্দক আপুনি কিদৰে অনুভৱ কৰে?**

ঃ ছপা আকাৰে মোৰ প্ৰথমখন উপন্যাস 'সন্ধ্যা' প্ৰকাশ পালেও ইয়াৰ পূৰ্বেই মোৰ 'অৰুন্ধতী' নামৰ উপন্যাসখন এখন অসমীয়া আৰু হিন্দী কাকতত ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল। লেখক হোৱা-নোহোৱা সময়তে চকুৰ সন্মুখত দেখা পোৱা মানুহবোৰৰ বিষয়ে যথেষ্ট ক'বলগীয়া আছিল। সেইবাবে 'অৰুন্ধতী'ত মই নিভৃতভাৱে নিজৰ সৈতে আলাপ কৰিছিলোঁ। সেই সময়ত উপন্যাস কেনেকৈ লিখে নাজানিছিলোঁ। হয়তো উপন্যাসখন উৎকৃষ্ট মানৰ হোৱা বাবে দুখন কাকতত ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল। প্ৰথমবাৰৰ বাবে প্ৰকাশ পোৱা বাবেই 'সন্ধ্যা' আৰু 'অৰুন্ধতী'য়ে মনত এক বুজাব নোৱাৰা পুলক সৃষ্টি কৰিছিল।

**■ ভ্ৰাম্যমাণ থিয়েটাৰৰ পটভূমিত লিখা উপন্যাস 'মই ডেচডিমনা হ'ব খোজো'ৰ জন্মৰ অন্তৰালত কি ঘটনা অথবা অভিজ্ঞতাই আপোনাক প্ৰভাৱিত কৰিছিল?**

ঃ যশস্বী অভিনেতা, পৰিচালক কুলদা কুমাৰ ভট্টাচাৰ্যৰ বাবে মই এখন টেলিভিছনৰ ধাৰাবাহিকৰ বাবে কাহিনী লিখিছিলোঁ। ইয়াৰ পিছতে তেওঁ কহিনুৰ থিয়েটাৰে মঞ্চস্থ কৰা 'অথেলো' নামৰ নাটকখন পৰিচালনা কৰিবলৈ গৈছিল। তেতিয়াই মোৰ স্বামী পৰাণ কুমাৰ ফুকনে মোক ভ্ৰাম্যমাণৰ ওপৰত এখন উপন্যাস লিখিবলৈ বৰকৈ হেঁচা প্ৰয়োগ কৰিছিল। তেওঁৰ বাবেই মোৰ 'মই ডেচডিমনা হ'ব খোজো' উপন্যাসখনৰ জন্ম হৈছিল। উপন্যাসখন লিখিবলৈ মই বহুদিন পাঠশালাত বিশিষ্ট অভিনেতা-পৰিচালক তথা কহিনুৰ থিয়েটাৰৰ স্বত্বাধিকাৰী ৰতন লহকৰৰ ঘৰলৈ গৈছিলো আৰু তালৈ মোৰ স্বামীয়ে অনা-নিয়া কৰিছিল। তাত থাকি মই ভ্ৰাম্যমাণ থিয়েটাৰৰ বিভিন্ন দিশ অতি পুংখানুপুংখভাৱে পৰ্যবেক্ষণ কৰিছিলোঁ। উপন্যাসখনত আমি যাত্ৰা, অপেৰাৰ পৰা আৰম্ভ কৰি ভ্ৰাম্যমাণে কিদৰে বৰ্তমান অৱস্থা লাভ কৰিলে তাৰ বিৱৰণ আছে। সেই যাত্ৰাপথত যিসকল পুৰোধা ব্যক্তি আছিল, তেওঁলোকৰ বিষয়েও উপন্যাসখনত লিখিবলৈ চেষ্টা কৰিছোঁ।

**■ দীৰ্ঘকালৰ বাবে আপুনি কোনো নিৰ্জন স্থানলৈ গ'লে লগত কি কি বস্তু নিব?**

ঃ তেনে কোনো নিৰ্জন স্থানলৈ গ'লে মই তিনিটা বস্তু নিব বিচাৰিম। প্ৰথমটো বস্তু হৈছে ঔষধ আৰু খাদ্য, দ্বিতীয়তে কিতাপ হিচাপে মামণি ৰয়ছমৰ ৰচনা সমগ্ৰ আৰু নৱকান্ত বৰুৱাৰ কবিতা সমগ্ৰ। আনহাতে, যদি মানুহ নিব পৰা যায়, তেনেহ'লে মোৰ স্বামীক লগত লৈ যাম। কাৰণ তেওঁ থাকিলে মোৰ মনত সাহস থাকে আৰু সকলো ক্ষেত্ৰতে অনুপ্ৰেৰণা লাভ কৰোঁ।

**■ আপোনাৰ পূৰ্বৰ দৃষ্টিভংগী আৰু লেখিকা মণিকুন্তলা ভট্টাচাৰ্যৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন ঘটিছে নেকি?**

ঃ মানুহৰ প্ৰতি থকা দৃষ্টিভংগী সলনি হৈছে। সেই সময়ত মানুহৰ প্ৰতি থকা ধাৰণাৰ বহু পৰিৱৰ্তন ঘটিছে। মানুহক এতিয়া সহজতে বুজি পোৱা হ'লোঁ। উপন্যাসৰ চৰিত্ৰবোৰৰ প্ৰতিও মোৰ দৃষ্টিভংগী সলনি হয়। পঢ়ুৱৈসকলেও সেই কথা কয়। মই ভাবোঁ এতিয়া মোৰ উপন্যাসৰ নাৰী চৰিত্ৰবোৰ শক্তিশালী হৈছে। তেওঁলোকৰ এতিয়াও কষ্ট হয়, ভাগি পৰে। কিন্তু চৰিত্ৰবোৰৰ আৱেগ এতিয়া বাস্তৱসন্মত।

**■ আপোনাৰ নিজৰ প্ৰিয় আৰু সৰ্বোৎকৃষ্ট গ্ৰন্থ কোনখন বুলি ভাবে?**

ঃ মই নিজে লিখা কোনখন গ্ৰন্থ অধিক প্ৰিয় বুলি সুধিলে উত্তৰ দিয়াটো কঠিন হয়। মোৰ প্ৰতিখন গ্ৰন্থ পঢ়ুৱৈ সমাজে আদৰি লৈছে। 'বৰদোৱানী', 'জলকন্যা', 'ডেচডিমনা', 'অৰুন্ধতী' আদি সকলোবোৰ গ্ৰন্থ মোৰ ভাল লাগে। 'অংগহাৰ'ত মই নিজেই নিজৰ কথা লিখিছোঁ। মোৰ প্ৰতিখন গ্ৰন্থৰ আঁৰত নেপথ্য কাহিনী আছে। সাহিত্যিক যাত্ৰা আছে। তদুপৰি প্ৰত্যেকখন গ্ৰন্থ লিখোঁতে যথেষ্ট কষ্ট কৰিছোঁ। সেইবাবে প্ৰতিখনেই মোৰ বাবে প্ৰিয়।

**■ জীৱন সম্পৰ্কে আপোনাৰ ধাৰণা?**

ঃ প্ৰত্যেক মানুহৰে জীৱনত সুখ-দুখ থাকিব। সেই কথা জানি যাত্ৰা আৰম্ভ কৰিব লাগে। তদুপৰি মানুহৰ জীৱনত সুখ-দুখ এটাও স্থায়ী নহয়। দীপ্ত সূৰ্যৰ প্ৰখৰ ৰ'দ, বাৰিষাৰ ধাৰাসাৰ বৰষুণ— এইবোৰ লৈয়ে পৃথিৱী, আকাশ মূৰ্তমান, সুখ-দুখ লগত লৈ যাত্ৰা আৰম্ভ কৰিলে মানুহ সুখী হ'ব পাৰে।

**■ 'বৰদোৱানী'ৰদৰে উপন্যাসে অসমীয়া সমাজত নাৰীৰ মৰ্যাদাক সুন্দৰভাৱে দাঙি ধৰিছে। কিন্তু নাৰীসকল আজিও সমাজত বঞ্চিত হৈ থকা বুলি ভাবে নেকি?**

ঃ কেৱল নাৰীয়েই নহয়, পুৰুষসকলো সমানেই বঞ্চিত। আমাৰ নাৰীসকলৰ বাবে নাৰী দিৱস আছে। কিন্তু পুৰুষসকলৰ বাবে তেনে দিন আছে জানো! কষ্ট সকলোৰে জীৱনত আছে। তাক সহজভাৱে আঁকোৱালি লৈ আগবাঢ়ি গ'লে জীৱন সুখৰ হয়।

**■ নতুন প্ৰজন্মৰ লেখক-লেখিকাসকলক কিবা ক'ব নেকি?**

ঃ নতুন লেখকসকলে নিজৰ ভাব-অনুভূতি উৎকৃষ্ট ৰূপত প্ৰকাশ কৰিবৰ বাবে প্ৰচুৰ অধ্যয়ন কৰা উচিত। কবিতা লিখিব বিচৰাসকলে দেশ-বিদেশৰ কবিতা পঢ়ক। গল্পকাৰসকলে গল্প পঢ়ক। তেতিয়া বহু কথা জানিব পাৰিব। পাঠকে কি ধৰণে গ্ৰহণ কৰিছে সেই কথা বুজিব পাৰিলেই সৃষ্টিকৰ্ম স্থায়ী হ'ব। আনহাতে নিজৰ লেখাটোক লৈ তৎক্ষণাতে অধীৰ হ'ব নালাগে, উত্ৰাৱল হ'ব নালাগে। লেখাবোৰ কেইবাবাৰো সম্পাদনা কৰক, সকলোৱে যাতে গ্ৰহণ কৰিব পাৰে তেনে লেখা প্ৰস্তুত কৰক। ছ'চিয়েল মিডিয়াত লিখা বাবে উপন্যাসৰ কলেৱৰ বাঢ়িছে, কিন্তু আচলতে সময়ে কি দাবী কৰে, আমি কি বিচাৰোঁ? নতুন প্ৰজন্মৰ বহুসংখ্যক বুদ্ধিদীপ্ত, প্ৰতিভাসম্পন্ন লেখক ওলাইছে। সেই অনুপাতে কবিতা বহুতে লিখিছে, কিন্তু ভাল কবিৰ সংখ্যা কম। গ্ৰন্থাকাৰে বহু উপন্যাস আছে, কিন্তু বিচাৰি বিচাৰি পঢ়িব পৰা গ্ৰন্থ কিমান আছে? অৱশ্যে মই নতুন প্ৰজন্মৰ লেখকসকলক লৈ যথেষ্ট আশাবাদী।

**■ আপোনাৰ নতুন সৃষ্টিকৰ্ম কিবা আছেনে?**


ঃ 'সংযোগ' নামৰ এখন নতুন উপন্যাস প্ৰকাশ পাইছে। গ্ৰন্থমেলাত এইখন পোৱা যাব। আনহাতে 'আইনা জীৱনৰ' আলোচনীত 'সাম্ৰাজ্য' নামৰ এখন উপন্যাস ধাৰাবাহিকভাৱে লিখি আছোঁ। তদুপৰি প্ৰসিদ্ধ সাহিত্যিক হোমেন বৰগোহাঞিৰ শৈশৱকালৰ ওপৰত এখন উপন্যাসৰ কাম আধৰুৱা হৈ আছে।


সাক্ষাৎগ্ৰহণ ঃ কুমুদ তালুকদাৰ
ফোন ঃ ৮৬৩৮৪-১৪৯৫৪




সুকন্যা
দে ও ব ৰী য়া
দেওবাৰ, ২৭ অক্টোবৰ ২০২৪

প্ৰকৃতি পৰ্যটন



**চৰাইদেউত** স্থায়ী ৰাজধানী স্থাপন কৰাৰ পূৰ্বে অসমৰ বিভিন্ন ঠাইত সময় অতিবাহিত কৰা স্বৰ্গদেউ চুকাফাই হাবুঙত প্ৰায় তিনি বছৰকাল কটাইছিল। অতিপাত বানপানীৰ বাবে স্বৰ্গদেৱে এই ঠাই এৰিবলগীয়া হৈছিল যদিও পাছলৈ চুডাংফাৰ দিনত এই ঠাইখনৰ গুৰুত্ব পুনৰ বৃদ্ধি পাবলৈ ধৰে, কিয়নো হাবুঙলৈ আহি বামুণী কোঁৱৰ বা চুডাংফাই এই ঘূগুহা দ'লটো নিৰ্মাণ কৰিছিল বুলি এক কিংবদন্তি প্ৰচলন হৈ **আছে...**

# ঘূগুহা দ'ল

## ঐতিহ্য-পৰ্যটনৰ সম্ভাৱনা

▢ দীপামণি হাজৰিকা বৰুৱা



**এটা** জাতিক ভৱিষ্যৎ প্ৰজন্মৰ আগত সু-শৃংখলিত আৰু সঁচা ৰূপত চিনাকি কৰাই দিয়াৰ ক্ষেত্ৰত স্থাপত্য শিল্পই এক অনন্য ভূমিকা পালন কৰে। ইতিহাসে যেতিয়াই সঠিক তথ্যৰ যোগান ধৰিবলৈ অপাৰগ হয়, তেতিয়াই মানুহে কিংবদন্তিৰ কাষ চাপে। মুখে মুখে প্ৰচলিত কিংবদন্তিসমূহৰ সহায় লৈয়ে কেতিয়াবা একো একোটা স্থাপত্য শিল্পৰ অতীত সম্পৰ্কে একোটা ধাৰণা গ্ৰহণ কৰি শিল্পবিধৰ ভৱিষ্যৎ সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিব লগা হয়। সুদূৰ চীন দেশৰ পৰা আহি প্ৰায় ছশ বছৰ অসমত ৰাজত্ব কৰা আহোমসকলে অসমত স্থাপত্য শিল্পৰ ক্ষেত্ৰত এক সোণোৱালী যুগৰ সৃষ্টি কৰি থৈ গৈছে। মধ্যযুগৰ শেষৰ ফালে আহোমসকলে স্থাপন কৰা বিভিন্ন মঠ, মন্দিৰ, দেৱালয়, দ'ল ইত্যাদিবোৰে ভাৰতৰ পুৰাতত্ত্ব বিভাগক সময়ে সময়ে অসমৰ অতীত অধ্যয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ তথ্যৰ যোগান ধৰি আহিছে। অসমক সমৃদ্ধ কৰি ৰখা আহোমসকলৰ তেনেকুৱা এটা ঐতিহাসিক দ'লৰ নামেই হৈছে ঘূগুহা দ'ল।

**ঘূগুহা দলৰ অতীত আৰু কিংবদন্তি**

ঘূগুহা দ'ল ধেমাজি জিলাৰ পৰা তেইশ কিলোমিটাৰ দূৰত্বত পশ্চিম ধেমাজি নামৰ ঠাইত অৱস্থিত এটা অতি পুৰণি দ'ল। ঘিলামৰাৰ পৰা ধেমাজিলৈ যোৱা পথত পূব দিশত ৰাস্তাৰ দাঁতিতে অৱস্থিত এই দলটোৱে ধেমাজি অঞ্চলৰ চিনাকিৰ ক্ষেত্ৰত এক অগ্ৰণী ভূমিকা গ্ৰহণ কৰে। চৰাইদেউত স্থায়ী ৰাজধানী স্থাপন কৰাৰ পূৰ্বে অসমৰ বিভিন্ন ঠাইত সময় অতিবাহিত কৰা স্বৰ্গদেউ চুকাফাই হাবুঙত প্ৰায় তিনি বছৰকাল কটাইছিল। অতিপাত বানপানীৰ বাবে স্বৰ্গদেৱে এই ঠাই এৰিবলগীয়া হৈছিল যদিও পাছলৈ চুডাংফাৰ দিনত এই ঠাইখনৰ গুৰুত্ব পুনৰ বৃদ্ধি পাবলৈ ধৰে, কিয়নো হাবুঙলৈ আহি বামুণী কোঁৱৰ বা চুডাংফাই এই ঘূগুহা দ'লটো নিৰ্মাণ কৰিছিল বুলি এক কিংবদন্তি প্ৰচলন হৈ আছে।

জনশ্ৰুতি অনুসৰি ঈৰ্ষাৰ বশৱৰ্তী হৈ আহোমৰ সপ্তমজন ৰজা ত্যাওখামথিৰ বৰকুঁৱৰীয়ে ৰজা নথকাৰ সুযোগত সৰু কুঁৱৰীক হত্যা কৰিবলৈ আদেশ দিয়ে। দয়ালু বিষয়াবৰ্গই সৰু কোঁৱৰীক হত্যা নকৰি ভূৰ এখনত তুলি দিহিঙত উটুৱাই দিয়ে। গৰ্ভৱতী কুঁৱৰীয়ে ভূৰেৰে আহি আহি হাবুং পায়হি আৰু তাতে এঘৰ বামুণ মানুহৰ আশ্ৰয়ত থাকি এটি পুত্ৰ সন্তান জন্ম দি মৃত্যুবৰণ কৰে। এই সন্তাটিৰ নাম বামুণী কোঁৱৰ বা চুডাংফা আৰু সৰু কুঁৱৰীৰ নাম আছিল ঘূগু কুঁৱৰী। এদিনাখন শিৱসাগৰৰ পৰা হাবুঙলৈ গৰু কিনিবলৈ অহা মানুহ দুজনমানে বামুণী কোঁৱৰৰ গাত ৰাজলক্ষণ দেখা পাই ৰজা ত্যাওখামথিক খবৰ দিয়েগৈ আৰু ৰজাই বামুণী কোঁৱৰক ৰাজসিংহাসনত বহুৱায়। পাছত ৰজা চুডাংফা বা বামুণী কোঁৱৰে মাকৰ স্মৃতিৰক্ষাৰ বাবে এই দ'লটো স্থাপন কৰি কুঁৱৰীৰ নামানুসাৰে দলটোৰ নাম ঘূগুহা দ'ল আৰু দ'লটো অৱস্থিত ঠাইটুকুৰাৰ নাম ঘূগুৱা বা ঘুগুহা ৰাখে। চুডাংফাৰ বাহিৰেও ঘূগুহা দলৰ নিৰ্মাণৰ আঁৰত ৰাজেশ্বৰ সিংহ আৰু শিৱ সিংহৰ নামো জড়িত হৈ থকা শুনিবলৈ পোৱা যায়। স্থাপত্যৰ দিশৰ পৰা লক্ষ্য কৰিলে তলাতল ঘৰৰ ওপৰত থকা গোসাঁইঘৰৰ আৰ্হিত দলটো নিৰ্মিত বাবে ঘূগুহা দ'লটো ৰাজেশ্বৰ সিংহৰ দিনৰ বুলি ভাবিব পৰাৰ থল আছে। ১৭৩৮ চনত স্বৰ্গদেউ শিৱসিংহই মৰমৰ ৰাণী অম্বিকাৰ সৈতে সময় কটাবলৈ ভ্ৰমণলৈ অহাৰ অৱস্থাত ৰাণীৰ এই ঠাইতে মৃত্যু ঘটাত ৰাণীৰ স্মৃতিৰক্ষাৰ বাবে এই দ'ল নিমাণ কৰোৱায়। বহুজনে সেই বাবে ঘূগুহা দ'লক সঁচা প্ৰেমৰ অতুলনীয় নিদৰ্শন হিচাপেও দাঙি ধৰিব বিচাৰে।

**বৰ্তমানৰ ঘূগুহা দ'লৰ বৰ্ণনা**

১৯০৫ চনত শিৱসাগৰৰ পৰা অহা কিছু পমুৱা লোকে হাবুঙৰ অটব্য অৰণ্যত উদ্ধাৰ কৰা এই ঘূগুহা দ'লটো আঠকোণীয়াকৈ নিৰ্মাণ কৰা হৈছিল। দলটোৰ কাষতে থকা হাবিখনত বিষ্ণুৰ চতুৰ্ভুজ মূৰ্তি আৰু বংশীবাদকৰ শিলৰ মূৰ্তি উদ্ধাৰ হোৱালৈ লক্ষ্য কৰি প্ৰথম অৱস্থাত হিন্দু দ'ল হিচাপে পৰিচিত এই দ'লটো বৰ্তমান সময়ত বেছিকৈ শিৱদ'ল হিচাপেহে ব্যৱহৃত হোৱা দেখা যায়। ইয়াৰ বাহিৰেও সময়ে সময়ে ভাওনা, দৌল উৎসৱ আদি অনুষ্ঠানো এই দ'লত অনুষ্ঠিত কৰি আহিছে। দ'লটো প্ৰায় ৪৫ ফুট ওখ। দ'লটোৰ চাৰিওফালে নিৰ্দিষ্ট দূৰত্বৰ মূৰে মূৰে তিনিটাকৈ গড় থকা দেখিবলৈ পোৱা যায়। দ'লৰ মুঠ মাটিকালিৰ পৰিমাণ ২৫২ বিঘা। দ'লৰ মূল চৌহদটোত প্ৰায় দুবিঘামান মাটি আছে। দ'লটোত কোনোধৰণৰ বিগ্ৰহ দেখিবলৈ পোৱা নাযায়। সম্পূৰ্ণৰূপে ইটাৰে নিৰ্মিত দ'লটোক গৰ্ভগৃহ, অন্তৰাল আৰু মণ্ডপ এই তিনিভাগত ভগাব পাৰি। দ'লৰ গাতে লাগি থকা মণ্ডপটো অসমীয়া দুচলীয়া ঘৰবোৰৰ নিচিনা। গৰ্ভগৃহত এটা পকী গাঁত থকা দেখিবলৈ পোৱা যায়।

দ'লৰ চৌহদত ছটা সৰু-বৰ পুখুৰী দেখিবলৈ পোৱা যায়। দলটোৰ দক্ষিণ দিশে এক কিলোমিটাৰ দূৰত্বত প্ৰায় ৩০ বিঘা মাটিকালিৰে আৱৰি থকা ঘূগু কুঁৱৰীয়ে পানী অনা (কিংবদন্তি) কুঁৱৰী বিলৰ পাৰত আহোম দিনৰ ভগ্নাৱশেষবোৰ আজিও আছে।

**পৰ্যটনৰ সম্ভাৱনাৰে ঘূগুহা দল**

যিকোনো স্থাপত্য শিল্পক বিশ্ব দৰবাৰত সুন্দৰ আৰু স্পষ্ট ৰূপত চিনাকি কৰাই দি বাহিৰৰ মানুহক ঠাইখনলৈ আগমন ঘটাব পাৰিলেহে আচলতে শিল্পবিধৰ উত্তৰণ ঘটে। শিল্পবিধৰ স্থায়িত্ব আৰু সংৰক্ষণৰ চেষ্টা চলে। বৰ্তমানে পুৰাতত্ত্ব বিভাগে সু-সজ্জিত সুন্দৰ ৰূপত ঘূগুহা দ'লক উপস্থাপন কৰি পৰ্যটকক আকৰ্ষণ কৰিবলৈ চেষ্টা চলাইছে। অসম প্ৰত্নতত্ত্ব সঞ্চালকালয়েও ২০১৩ চনত 'বিশ্ব ঐতিহ্য সপ্তাহ' ঘূগুহা দ'লত উদ্‌যাপন কৰি ইয়াৰ প্ৰচাৰ আৰু সংৰক্ষণৰ ব্যৱস্থা কৰিছে। কেৱল চৰকাৰৰ কাম-কাজলৈ বাট চাই নাথাকি ঘূগুহা দ'লক বিশ্বৰ চকুত আকৰ্ষণৰ থলী হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত স্থানীয় ৰাইজ আৰু দ'লটোৰ চাৰিওফালে গঢ় লৈ উঠা বিদ্যালয়, মহাবিদ্যালয়, সংঘ ইত্যাদিয়েও আগভাগ লোৱা উচিত। দ'লটোক ঐতিহাসিক পৰ্যটনথলীৰ লগতে কম খৰচতে প্ৰাকৃতিক আৰু গ্ৰাম্য পৰ্যটনথলীৰ সমন্বয় কেন্দ্ৰ কৰিব পৰাৰ যথেষ্ট থল আছে।

ঘূগুহা দ'লৰ পুখুৰীকেইটা চাফ-চিকুণ কৰি নাও, ভূৰ আদিৰ যোগান ধৰি নৌকাচালনা, নাওখেল ইত্যাদি দেখুৱাই পৰ্যটকক আকৰ্ষণ কৰিব পৰা যায়। বৰশী বোৱা, জাকৈ বোৱা ইত্যাদি পৰম্পৰাসমূহকো মাজে-সময়ে প্ৰদৰ্শন কৰি দৰ্শকৰ আমোদৰ ব্যৱস্থা কৰিব পাৰি। ওচৰৰ গাঁৱৰে কিছু যুৱকক গাইড হিচাপে ৰাখি দ'লৰ কাষত থকা চোমনিবোৰত মুগা উৎপাদন কৰি পৰ্যকসকলক আমাৰ অতি মূল্যৱান মুগাৰ কাপোৰবোৰৰ উৎপাদন প্ৰক্ৰিয়াক প্ৰথমৰ পৰা দেখুৱাব পৰা যায়। ইয়াৰ লগত যদি থলুৱা খাদ্যৰো যোগান ধৰা হয় বাহিৰৰ মানুহ নিশ্চয়কৈ আকৰ্ষিত হ'ব। আমাৰ কৃষ্টি-সংস্কৃতিৰ কিছু অংশ যেনে— বিহু, গায়ন-বায়ন, আই সভা, চকলং বিয়া, গো-পূজা, গৰুক গা ধুওৱাৰ দৃশ্য, সন্ধিয়া গৰুক জাক দিয়াৰ দৃশ্য ইত্যাদিবোৰ কম খৰচতে মাজে-সময়ে প্ৰদৰ্শন কৰি পৰ্যটকক আকৰ্ষণ কৰাৰ থল আছে।

ৰাইজ একগোট হ'লে কৰিব নোৱাৰা কাম একো নাই। আহোমসকলে অতি সুনিপুণতাৰে এৰি থৈ যোৱা এই সম্পদসমূহক ৰক্ষা আৰু সংৰক্ষণ কৰাৰ দায়িত্ব আমাৰ নিজৰ। অলপতে মেঘালয়ৰ মাউলিঙনং নামৰ পৃথিৱীৰ আটাইতকৈ চাফা গাঁওখন চাবলৈ গৈ গাঁৱৰে সৰু সৰু ছাত্ৰ-ছাত্ৰী কিছুমানক টুৰিষ্ট গাইড হিচাপে লগ পাইছিলোঁ। তাৰ বাসিন্দাসকলে প্ৰস্তুত কৰা থলুৱা খাদ্যৰ সোৱাদ লৈছিলোঁ। গছৰ সৰু পাত এখিলা সৰি পৰিলেও গাঁৱৰ যি মানুহেই নেদেখক লগে লগে চাফা কৰি ডাষ্টবিনত পেলোৱা লক্ষ্য কৰিছিলোঁ। মাউলিঙনঙৰ দৰে সৰু গাঁৱৰ বাসিন্দাসকলে একগোট হৈ যদি নিজৰ গাঁওখনক পৃথিৱীৰ আটাইতকৈ চাফা গাঁও হিচাপে পৃথিৱীৰ আগত জিলিকাই ৰাখিব পাৰে, আমি ইমান কৃষ্টি-সংস্কৃতিৰে চহকী হৈ জাতীয় সম্পদবোৰক চাবলৈ বিশ্বৰ মানুহক আমাৰ নিজৰ ঠাইত থিয় কৰোৱাব নোৱাৰাৰ কোনো কাৰণ থাকিব নোৱাৰে।

ফোন ঃ ৬০০০৯-৪৫৯৯০

### অসম তথা উত্তৰ-পূবৰ স্থাপত্য, ভাস্কৰ্য, চিত্ৰশিল্পীৰ শিল্পকৰ্মক ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ নিয়াৰ প্ৰয়াস আৰ্টস্কেপ গেলেৰীৰ









**অসমৰ** স্থাপত্য, ভাস্কৰ্য, চিত্ৰশিল্পৰ এক গৌৰৱ উজ্জ্বল ইতিহাস আছে। বহুকেইগৰাকী প্ৰতিষ্ঠিত আৰু প্ৰতিভাশালী চিত্ৰ-ভাস্কৰ্য শিল্পীয়ে তেওঁলোকৰ শিল্পকৰ্মৰে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত অসমৰ নাম উজলাই তুলিছে। অসমৰ আধুনিক শিল্পকলাৰ পথ প্ৰদৰ্শকসকলৰ শিল্পকৰ্ম আজিও উপযুক্তভাৱে সংৰক্ষিত হোৱা নাই। শিল্পীসকলৰ সৃষ্টিৰাজি, শিল্পকৰ্ম, চৰকাৰী আৰু বেচৰকাৰীভাৱে বৈজ্ঞানিক পদ্ধতিৰে সংৰক্ষণ, প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰিলে অসমৰ কলা ইতিহাস সমৃদ্ধ হোৱাৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো বিশেষ মৰ্যাদা লাভ কৰাৰ সম্ভাৱনা আছে। ৰাজ্যৰ বহু প্ৰতিভাৱান শিল্পীয়ে নিৰলসভাৱে শিল্প সাধনা কৰি আহিছে। কিন্তু এখন উপযুক্ত মঞ্চৰ অভাৱত শিল্পীসকলৰ শিল্পকৰ্মৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা হোৱা নাই। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ চিত্ৰ-ভাস্কৰ্য শিল্পীসকলক এখন উপযুক্ত মঞ্চ দি ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকি কৰি দিয়াৰ প্ৰচেষ্টা লৈছে গুৱাহাটীৰ আৰ্টস্কেপ গেলেৰীয়ে। বিগত ৩০ বছৰ ধৰি চিত্ৰশিল্পৰে জড়িত শিল্পী কাবেৰী বণিক্যই একক প্ৰচেষ্টাৰে স্থাপন কৰা আৰ্টস্কেপ গেলেৰীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পীসকলক একত্ৰিত কৰি এখন মঞ্চ প্ৰদান কৰি প্ৰথমবাৰৰ বাবে গুৱাহাটীত 'আৰ্ট ইক' ৰিভলিউচন' শীৰ্ষক এখন চিত্ৰ, ভাস্কৰ্য, স্থাপত্য শিল্পকৰ্মৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰে। গুৱাহাটী চৰ'কী চেলেব্ৰেচনত ১১ পৰা ১৩ অক্টোবৰলৈ আৰ্টস্কেপ গেলেৰীয়ে অনুষ্ঠিত কৰা এই প্ৰদৰ্শনীত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৮০গৰাকী প্ৰতিভাৱান শিল্পীৰ শিল্পকৰ্ম প্ৰদৰ্শন কৰা হয়। অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, অৰুণাচলৰ বহুকেইগৰাকী নবীন-প্ৰবীণ শিল্পীৰ লগতে বশিষ্ঠৰ চৰকাৰী চাৰুকলা মহাবিদ্যালয় আৰু ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ চিত্ৰ আৰু শিল্পকৰ্ম প্ৰদৰ্শন কৰাৰ লগতে বিক্ৰীৰ ব্যৱস্থা কৰা হয়। প্ৰদৰ্শনীৰ লগত সংগতি ৰাখি অসম তথা উত্তৰ-পূবৰ চিত্ৰ-ভাস্কৰ্য শিল্পক কেনেদৰে আগুৱাই নিব পাৰি সেই সন্দৰ্ভতো আলোচনা-চক্ৰ অনুষ্ঠিত হয়। আলোচনা-চক্ৰত অসমৰ মেনুস্ক্ৰিপ, শিল্প আৰু মানসিক স্বাস্থ্য, শিল্প আৰু আভিজাত্য, অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আৰ্ট লেণ্ডস্কেপ আদি বিভিন্ন বিষয়ৰ ওপৰত বহুকেইগৰাকী বিশেষজ্ঞ ব্যক্তিয়ে নবীন-প্ৰবীণ শিল্পীসকলৰ সৈতে আলোচনা কৰে। আৰ্ট ইক' ৰিভলিউচন নামৰ এই শিল্পকলা প্ৰদৰ্শনীত শিল্পীসকলৰ অনন্য সৃষ্টি ব্যতিক্ৰমী ৰূপত প্ৰদৰ্শন কৰা হয়। এই প্ৰদৰ্শনীত নবীন-প্ৰবীণ শিল্পীসকলৰ সৃষ্টিৰাজি আৰু শিল্পকৰ্ম উপভোগ কৰে দুই সহস্ৰাধিক কলা অনুৰাগীয়ে। আৰ্ট ইক' ৰিভলিউচন শীৰ্ষক এই প্ৰদৰ্শনীত ড° সঞ্জীৱ



কুমাৰ সন্দিকৈ, ড° চাহিল ৰফিক, ৰাকুয়ো আৰিক', পিমালী চুইল', অপূৰ্ব, নিৰূপম কোঁৱৰ, নীলাক্ষি শৰ্মা, অনুভূতি দাস, হিমান বৰুৱা, কুইন জি তালুকদাৰ, ছুহিনী ৰয়, দয়ানীতা বৈশ্য, আস্থা ছাহাল, আদৰ্শ ছেত্ৰী, পিনাকী দাস, স্বাগত দাস, সম্প্ৰীতি ওজা, সুপ্ৰিয়া ঘোষ, মানসী খেমানি, আলী ৰাজা, নীলকমল কাশ্যপ, ডিম্পী বৰা, পল্লৱপ্ৰাণ বৰা, সুভাষ ছোনী, হৃষীকেশ দাস, মনজ্যোতি ৰাজখোৱা, বটচ' মেকৰো' তপন বৰা, বিতুপন বাছাক, নিকিতা পীৰটুহ, বিকাশ বৰ্মন, অভিজ্ঞান দত্ত, লংগাং কন্যাক, ৰাজদীপ বৰ্মন, সাগৰিকা শৰ্মা, টিনামণি ৰাজবংশী, শতাব্দী গগৈ, ডিম্পল নাথ, হিমাংশু কলিতা, ছানেনটি লংচাৰি, চি লালৰেমতুলাংগা, আদিত্য ঠাকুৰীয়া, গৰিমা আগৰৱাল, সাৰহ পো, টিনাট আটিফা মাছুদ, কৌশিক শৰ্মা, তবচুম চিৰিম, নীলপৰ্ণা বৰ্মন, খুংছাৰ ব্ৰহ্ম, য়ছৰাজ দেৱ, হৰ্ষিতা বৰুৱা, হিমাংশু হালৈ, বিকুমণি মালাকাৰ, শিল্পী ময়ূৰী ভট্টাচাৰ্য, দেৱ বেজবৰুৱা আৰু ভাস্কৰ্য শিল্পী প্ৰজ্ঞান শৰ্মাৰ লগতে অসমৰ বহুকেইগৰাকী প্ৰতিষ্ঠিত শিল্পীৰ সৃষ্টিৰাজি প্ৰদৰ্শন কৰা হয়। চিত্ৰ প্ৰদৰ্শনীৰ লগত সংগতি ৰাখি আয়োজন কৰা আলোচনা-চক্ৰত বিশিষ্ট শিল্পী সাত্যকী ডিকম ভূঞা, অতুল চন্দ্ৰ বৰুৱা, শ্ৰীপৰ্ণা বি বৰুৱা, সমুজ্জ্বল কাশ্যপ, লীমা দাস, টিনাট আতিফা মাছুদ, ৰঞ্জনা ভজংকা, ছহিল ৰফিক, সুভাষ ছোনী, পলাশ বৰা, কৃষ্ণাকী শৰ্মা, ৰাণা মহন্ত, অল্পনা বৰদলৈ, ৰাজেন তালুকদাৰ, অভিক তালুকদাৰকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। গুৱাহাটীত আৰ্টস্কেপ গেলেৰীয়ে অনুষ্ঠিত কৰা আৰ্ট ইক' ৰিভলিউচন শীৰ্ষক এই চিত্ৰ-ভাস্কৰ্য আলোকচিত্ৰ শিল্পীৰ প্ৰদৰ্শনীখনে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিভাৱান নবীন-প্ৰবীণ শিল্পীসকলক উৎসাহিত কৰাৰ লগতে শিল্পীসকলৰ শিল্পকৰ্মক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ নিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰিছে আৰ্টস্কেপ গেলেৰীৰ প্ৰতিষ্ঠাপক শিল্পী কাবেৰী বণিক্যই। প্ৰদৰ্শনীখনলৈ অহা কলা অনুৰাগীৰ পৰা বহুকেইগৰাকী শিল্পীয়ে চিত্ৰ আৰু ভাস্কৰ্য শিল্পীয়ে অৰ্ডাৰ লাভ কৰিছে বুলি কাবেৰী বণিক্যই জানিবলৈ দিছে। আৰ্টস্কেপ গেলেৰীয়ে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পীসকলক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় চিত্ৰকলা প্ৰদৰ্শনীত শিল্পকলাৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ সুবিধা প্ৰদান কৰি আহিছে। আৰ্টস্কেপ গেলেৰীৰ এই ব্যতিক্ৰমী পদক্ষেপে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পকলাৰ উত্তৰণত বিশেষ অৰিহণা যোগোৱাৰ সম্ভাৱনা আছে।

ফোন ঃ ৮৭৬১৮-৫৬৯৭৯

আৰ্ট ইক' ৰিভলিউচন প্ৰদৰ্শনী

# গুৱাহাটীত ৮০গৰাকী শিল্পীৰ শিল্পকৰ্ম প্ৰদৰ্শন

▢ উৎপল বৰুৱা



কবিতা

## মই এক অনাথ পৰিয়ালৰ পৰিশ্ৰান্ত

▢ শ্বৰীফুল ইছলাম

মই এক অনাথ পৰিয়ালৰ পৰিশ্ৰান্ত
যি পৰিয়ালৰ ঘৰ-বাৰী পৰাজিত হয় নদীৰ হাতত
নাচিব লাগে মানৱৰূপী দানৱৰ আঙুলিৰ মূৰত
যি পৰিয়ালে কলম ধৰাৰ বয়সত
বিচাৰি ফুৰিব লাগে
বেলচা, হাতুৰী, কাচি, ৰিক্সা, ঠেলা
অন্ন-বস্ত্ৰ-বাসস্থানৰ নামত
উজনি-নামনিত
সেই দুৰ্ভগীয়া পৰিয়ালৰ অঘৰী মই

প্ৰতিবাৰৰ দৰে এইবাৰৰ বসন্ততো
কচু বনৰ শিয়ালবোৰ
ত্ৰাণকৰ্তা ৰূপে কৰিব গৰ্জন

মই এক অনাথ পৰিয়ালৰ পৰিশ্ৰান্ত
যি পৰিয়ালক মন গ'লেই পেটত লাথ মাৰি খেদিব পাৰি
বুলডজাৰেৰে ছিন্ন-বিচ্ছিন্ন কৰিব পাৰি
হাজাৰ বুকুৰ আৰ্তনাদ
সেই মুৰব্বীহীন তপা পৰিয়ালৰ অঘৰী মই

ধৰ্মান্ধৰ হাতত ন্যায় নীতি
এন্দুৰৰ গাঁতত মানৱাধিকাৰ কৰ্মী

মই এক অনাথ পৰিয়ালৰ পৰিশ্ৰান্ত
যি পৰিয়ালে ভাবিব নোৱাৰে
পেটৰ তাড়নাত
চুবুৰীয়া সমনীয়াৰ দৰে
মাহাকাশৰ কথা, সুখ-সপোনৰ কথা
সেই বঞ্চিত পৰিয়ালৰ অঘৰী মই

স্বাধীনতা আৰু অধিকাৰৰ কথা কেৱল ন'বেল বঁটাৰ মঞ্চত
দুৰ্বলীৰ চোতালত সকলো প্ৰশ্নবোধক

মই এক অনাথ পৰিয়ালৰ পৰিশ্ৰান্ত
যি পৰিয়ালে মাদ্ৰাছাত পঢ়িলে দৰদে নিগৰে চকু
যি পৰিয়ালৰ পৰা MBBS, IAS, IPS হ'লে
হিংসাত জ্বলে বুকু
সেই অসহায় পৰিয়ালৰ অঘৰী মই

লোক দেখুওৱা হ'ল সম্প্ৰীতিৰ বাৰ্তা
নীতি-নিৰ্দেশকৰ চকুচৰহা নীতি
মই এক অনাথ পৰিয়ালৰ পৰিশ্ৰান্ত

ককা-দেউতাক অনুসৰণ কৰি অন্ধ, বোবাক
সিংহাসনত বহায় যি পৰিয়ালে
বিদেশী, বেদখলকাৰীৰ নামত নিৰ্যাতিত হয় যি পৰিয়াল
সেই শোষিত, লাঞ্ছিত পৰিয়ালৰ অঘৰী মই
ডাৱৰে বেলি ডুবাব পৰা নাই

এচাম বুদ্ধিজীৱী ৰাজনৈতিক মিৰ্জাফৰে
আন্ধাৰত ৰাখিছে আকাশ

মই এক অনাথ পৰিয়ালৰ পৰিশ্ৰান্ত
যি পৰিয়ালৰ মাতব্বৰৰাজে
বন্ধ কৰি ৰাখিব খোজে
মোৰ চকুৰ পতা
যি পৰিয়ালৰ নেতান্ধতাই কৰিব পাৰে মোক
বিপদগ্ৰস্ত, বদনামী অথবা পংগু
সেই অন্ধ পৰিয়ালৰ অঘৰী মই

মই মুক্তিকামী
মই গণতান্ত্ৰিক সংগ্ৰামী।

সুকন্যা
দেওবৰীয়া
দেওবাৰ, ২৭ অক্টোবৰ ২০২৪

# ৰাষ্ট্ৰীয় পৰ্যায়ত উজলিছে নিমাতীঘাটৰ নৱনীতা দাস



**অসমৰ** অৰ্থনৈতিক বিকাশৰ প্ৰথম চৰ্ত কৃষিখণ্ডৰ বিকাশ। কিন্তু পৰিতাপৰ কথা ক্ৰমাৎ নৱপ্ৰজন্মৰ মাজত কৃষিখণ্ডৰ প্ৰতি গুৰুত্ব কমিছে। যাৰ ফলত অসমৰ কৃষিখণ্ড হৈ পৰিছে দুৰ্বল। কিন্তু এই সময়তে অসমৰ এগৰাকী যুৱতীয়ে কৃষি কৰ্মৰে সমগ্ৰ ভাৰতত নাম উজলাই হৈ পৰিছে সকলোৰে প্ৰেৰণাৰ আলোক।

যুৱতীগৰাকীৰ নাম নৱনীতা দাস। ঘৰ যোৰহাটৰ নিমাতীঘাটৰ সমীপৰ বৰালি গাঁও। শৈশৱতে জীৱনৰ মাত্ৰ চাৰি বছৰ বয়সতে হেৰুৱায় মাতৃক। তাৰ পাছত হেৰুৱায় পিতৃক। বায়েক-ভিনিহিয়েকৰ সহায়ত ডাঙৰ হোৱা নৱনীতাৰ অৱশ্যে শৈশৱৰ সপোন আছিল সুকীয়া। শৈশৱতে তেওঁ নাৰ্ছ হোৱাৰ সপোন দেখিছিল আৰু সেই অনুসাৰে নাৰ্ছিং পাঠ্যক্ৰম সমাপ্ত কৰি নাৰ্ছৰ কাম কৰে। ২০০৩ চনৰ পৰা ২০১০ চনলৈ নাৰ্ছৰ কাম কৰা নৱনীতাই পৰৱৰ্তী সময়ত নাৰ্ছৰ কাম এৰি এগৰাকী আদৰ্শ কৃষক হিচাপে থিয় দিয়ে। নৱনীতাৰ ভিনিহিয়েকো আছিল কৃষক। এদিন ভিনিহিয়েক লৱ কুমাৰ দাসৰ নিমাতীঘাটত থকা কৃষি ফাৰ্মখন চাবলৈ গৈ নৱনীতাই কৃষিৰ প্ৰেমত পৰে আৰু নিজে তেনে এখন পাম গঢ়িবলৈ দৃঢ়প্ৰতিজ্ঞ হয়। নাৰ্ছৰ চাকৰি কৰি জমা কৰা টকাৰে নৱনীতাই কৃষিপাম গঢ়াৰ বাবে আগবাঢ়িল। ইয়াৰ বাবে তেওঁ নিজৰ ছয় বিঘা পৈতৃক ভূমিত প্ৰথম ২০১০ চনত কৃষিকৰ্ম আৰম্ভ কৰিলে। প্ৰথম বছৰ তেওঁ এবিঘা মাটিত উন্নত জাতৰ জিকা, দুবিঘা মাটিত ৰঙালাউ, পালেং, ধনিয়া, পদিনা, জলকীয়া আদি খেতি কৰিলে। আৰু প্ৰথম পদক্ষেপতে সফল হ'ল নৱনীতা। প্ৰথমবাৰৰ ফচল লাভৰ পৰাই তেওঁ এখন সৰু গাড়ী ক্ৰয় কৰিবলৈ সক্ষম হ'ল। ইয়াৰ পাছত আৰু নৱনীতাই উভতি চাব লগা নহ'ল। একান্ত সাহস, ধৈৰ্য আৰু একাগ্ৰতাৰে নৱনীতা আগবাঢ়ি গ'ল। সেই বছৰতে নিজৰ মাটিৰ কাষৰীয়া ধান কাটি মুকলি হোৱা মাটিত তেওঁ সৰিয়হ, আলু আদিৰ খেতি লগালে। আনহাতে যিবোৰ মাটি ঘন জংঘলেৰে ভৰি অনাদৃত অৱস্থাত পৰি আছিল, সেই সকলোবোৰ মোকলাই বিভিন্ন পাচলি লগালে। এনেদৰে এবছৰতে প্ৰায় আশী বিঘা মাটিলৈ কৃষি পাম বৃদ্ধি কৰিলে। এইদৰে খেতি কৰি নৱনীতাই যথেষ্ট লাভান্বিত হ'ল। ইয়াৰ পাছত যোৰহাটৰ পতীয়া গাঁৱত প্ৰথম তিনি বিঘা মাটি ক্ৰয় কৰি নাৰ্ছাৰী আৰম্ভ কৰে। ২০১৪ চনত নৱনীতাই সৰিয়হ খেতিৰে অভিলেখ ৰচনা কৰে। সেই বছৰতে যোৰহাটৰ কৃষি বিষয়া ইছাদ আলীৰ পৰামৰ্শত নৱনীতাই উন্নত জাতৰ সৰিয়হৰ খেতি কৰিছিল। এই সৰিয়হৰ খেতিত নৱনীতা ইমানে সফল হৈছিল যে যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ বিজ্ঞানীৰ দল এটাই তেওঁৰ সৰিয়হৰ খেতি প্ৰত্যক্ষ কৰি উচ্চ প্ৰশংসা কৰিছিল। ডিব্ৰুগড় দূৰদৰ্শনতো নৱনীতাৰ কৃষিকৰ্মৰ উচ্চ প্ৰশংসাৰে অনুষ্ঠান পৰিৱেশন হৈছিল। সেই বছৰ তেওঁ ক'লা ধানৰ খেতিৰ পৰাও যথেষ্ট লাভান্বিত হৈছিল। আনহাতে চৰকাৰীভাৱে লাভ কৰা এটি সৰু তেল পেৰা মেচিনেৰে সৰিয়হতলীতে তেল পেৰা ব্যৱস্থা কৰি সেইবোৰ বিক্ৰী কৰিব আৰম্ভ কৰে। সম্প্ৰতি পতিয়াগাঁৱত নৱনীতাৰ কৃষি পামৰ সম্প্ৰসাৰণ ২৭ বিঘা মাটিলৈ হৈছে। নেমু, মধুৰিআম, থাইলেণ্ড বগৰী, আপেল বগৰী, লিচু, মৌচুমী আদি বিভিন্ন উদ্যান শস্যৰে তেওঁ গঢ়ি তুলিছে এক বৃহৎ উদ্যান শস্যৰ বাগিচা। বিস্তৃতভাৱে কৰিছে উন্নত পদ্ধতিৰ অমিতাৰ খেতিও। কৰিছে কেপচিকাম, জলকীয়াকে ধৰি বিভিন্ন ঋতুকালীন পাচলিৰ খেতি। লগতে

> ...নৱনীতাই অসমত কৃষি পৰ্যটনৰ ধাৰণা সজীৱ কৰি তেওঁৰ পামখন কৃষি পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তুলিবলৈ সক্ষম হৈছে। ইতিমধ্যে বিশ্বৰ দহখনকৈ দেশৰ কৃষি বিজ্ঞানীয়ে তেওঁৰ কৃষি পাম পৰ্যবেক্ষণ কৰি অভিভূত হৈ পৰে...



কৰিছে কিছু পৰিমাণে বিভিন্ন ধৰণৰ ফুলৰ খেতিও। বৰ্তমানে তেওঁ আলু, বিলাহী, সৰিয়হ খেতিৰ প্ৰস্তুতিত ব্যস্ত। নৱনীতাই তেওঁৰ সহায় হোৱাকৈ দুজন মানুহক সহকাৰী হিচাপে নিয়োগ কৰিছে যদিও তেওঁ যিমান পাৰে প্ৰায়ভাগ কাম নিজেই কৰে। ট্ৰেক্টৰেৰে মাটি চহোৱা, হাবি চাফা কৰা, সাৰ প্ৰয়োগৰ পৰা শস্য চপোৱালৈ সকলো কাম সময় বান্ধি লৈ নিয়াৰিকৈ নিজেই কৰে। নৱনীতাই তেওঁৰ কৃষিক্ষেত্ৰত দুটা কথাত অধিক গুৰুত্ব দিয়ে— জৈৱিক সাৰ প্ৰয়োগ আৰু জৈৱিক কীটনাশক প্ৰয়োগ। তেওঁ ৰাসায়নিক সাৰৰ সলনি নিজে প্ৰস্তুত কৰা এজলা, কেঁচুসাৰ, পচন সাৰ আদি প্ৰয়োগ কৰে। কীটনাশক হিচাপে বিহলঙনি, ধঁপাত, গুড়, হালধি, নহৰু, মহানিম, গোমূত্ৰ, পিঁয়াজ আদি ব্যৱহাৰ কৰে। তেওঁৰ মতে 'ৰাসায়নিক সাৰ বা কীটনাশক খেতিত প্ৰয়োগ কৰিব লাগে বুলি কোনো কথা নাই। আজিকালি কৃষিকৰ্মত অগ্ৰণী বহু দেশে ৰাসায়নিক সাৰ, কীটনাশক কৃষিকৰ্মত ব্যৱহাৰ কমাই আনিছে। স্বাস্থ্যৰ মূল হ'ল কৃষি আৰু ৰাসায়নিক সাৰ, কীটনাশকৰ প্ৰয়োগেৰে শস্য, পাচলি বিষাক্ত কৰাৰ কোনো প্ৰয়োজন নাই। বৰ্তমান সময়ত সকলো কৃষকে জৈৱিক কৃষি পদ্ধতিৰ প্ৰতি মনোযোগ দিয়াটো প্ৰয়োজন হৈ পৰিছে। এগৰাকী যুৱতী হিচাপে কৃষিক্ষেত্ৰত আত্মনিয়োগ কৰা সম্পৰ্কে নৱনীতাই জনায় কৃষিকৰ্ম এক স্বাধীন অথচ আৰ্থিক স্বাৱলম্বিতাৰ মনোৰম ক্ষেত্ৰ। গীত, কবিতা, চিত্ৰকৰ্মৰ দৰে এক সৃষ্টিশীল কৰ্ম হ'ল কৃষিকৰ্ম। আচলতে সৃষ্টিৰ মাদকতাৰ প্ৰেমত পৰিলে কৃষিকৰ্মক হৃদয়ত সুমুৱাই ল'ব পাৰি। প্ৰথমে উপাৰ্জন নহয়, সৃষ্টিশীল কৰ্ম হিচাপে কৃষিৰ প্ৰেমত পৰিছিলোঁ। পৰৱৰ্তী সময়ত উপলব্ধি কৰিলোঁ কৃষি কৰ্ম শ্ৰেষ্ঠ স্বাধীন স্বাৱলম্বনৰ ক্ষেত্ৰত। সেয়ে পিছত এশ শতাংশ কৃষিকে জীৱন-জীৱিকা হিচাপে লৈ নাৰ্ছৰ চাকৰি বাদ দিলোঁ। এটা কথা ঠিক সকলো সৃষ্টিকৰ্মৰ আঁৰত থাকে কৰ্মটোৰ প্ৰতি নিচা। কৃষি সম্পৰ্কে প্ৰশিক্ষণৰ বিষয়ে জানিব বিচৰাত নৱনীতাই জানিব দিয়া অনুসৰি তেওঁ কোনো আনুষ্ঠানিক প্ৰশিক্ষণ লোৱা নাই। কেৱল কৃষি বিষয়াৰ পৰামৰ্শ আৰু অভিজ্ঞতাক লৈয়ে কৃষিকৰ্মত

**উৎপল কুমাৰ কলিতা**

আগবাঢ়িছে। উল্লেখ্য যে নৱনীতাই উৎপাদিত ফচল বিক্ৰীত নিজে আগভাগ লয়।

ইতিমধ্যে নৱনীতাই কৃষিকৰ্মত দেখুওৱা সফলতাৰ বাবে কেইবাটাও পুৰস্কাৰ লাভ কৰিছে। ভাৰতীয় ধান গৱেষণা কেন্দ্ৰৰ উদ্ভাৱনীমূলক ধান কৃষক, ভাৰতীয় কৃষি অনুসন্ধান গৱেষণা কেন্দ্ৰৰ বঁটা, অসম কৃষি বিশ্ববিদ্যালয়ৰ কৃষক বঁটা, ভাৰত চৰকাৰৰ কৃষি বিভাগৰ প্ৰগতিশীল মহিলা কৃষক বঁটা, শ্ৰেষ্ঠ মহিলা কৃষক বঁটাৰ লগতে অৰ্ধশতাধিক বিভিন্ন পুৰস্কাৰ লাভ কৰিছে। অসম চৰকাৰৰ সাহায্যত তেওঁ ভিয়েটনামৰ কৃষিক্ষেত্ৰ পৰ্যবেক্ষণৰো



সুবিধা লাভ কৰে। নৱনীতাই অসমত কৃষি পৰ্যটনৰ ধাৰণা সজীৱ কৰি তেওঁৰ পামখন কৃষি পৰ্যটন ক্ষেত্ৰ হিচাপে গঢ়ি তুলিবলৈ সক্ষম হৈছে। ইতিমধ্যে বিশ্বৰ দহখনকৈ দেশৰ কৃষি বিজ্ঞানীয়ে তেওঁৰ কৃষি পাম পৰ্যবেক্ষণ কৰি অভিভূত হৈ পৰে। তেওঁৰ পামলৈ সততে বিভিন্ন স্থানৰ কৃষি বিজ্ঞানী, কৃষি বিষয়া, ছাত্ৰ-ছাত্ৰী তথা কৃষি পৰ্যটকৰ আগমন হয়। সম্প্ৰতি ৰাজ্যৰে শ্ৰেষ্ঠ মহিলা কৃষকৰ অন্যতম নৱনীতাই ভাৰতৰ কৃষিক্ষেত্ৰতো চিনাকি হৈ পৰিছে। কৃষিক্ষেত্ৰতে আত্মনিয়োগ কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত চিনাকি হৈ পৰা কেইবাটাও ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰা নৱনীতা আজি অজস্ৰজনৰ প্ৰেৰণাৰ আলোক।

ফোন ঃ ৯৩৯৪৯-২২৫২৭

# নিকিতা-খুচী-বেবী মিনুমাৰ জীৱন গঢ়াৰ অক্লান্ত আন্দোলন

## নিজৰ অধিকাৰ আঁজুৰি আনিবলৈ সক্ষম

**আধুনিক** বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই মানুহৰ চিন্তাধাৰা দিগন্তমুখী যাত্ৰাত ক্ৰমান্বয়ে বিকশাই তুলিছে। যোৱা কেইটামান বছৰৰ পৰা লিংগ-বৈষম্য আমাৰ দেশৰ নগৰ-চহৰসমূহৰ লগতে গাঁওসমূহতো কম-বেছি পৰিমাণে কমি আহিবলৈ ধৰাটো সমাজৰ বাবে শুভলক্ষণ। দেশৰ বহুবোৰ ক্ষেত্ৰ মহিলাৰ নেতৃত্বত আগবাঢ়ি যোৱাত এখন লিংগ-বৈষম্যহীন সমাজ ভৱিষ্যতে কল্পনা কৰাটো অমূলক নহ'ব।পুৰুষৰ সমানে সমানে প্ৰগতিৰ দিশেৰে নাৰীসকলকো আগবঢ়াই লৈ যোৱাটো প্ৰতিজন নাগৰিকৰে কৰ্তব্য হোৱাও উচিত। প্ৰাক্-বৈদিক যুগত নাৰী আৰু পুৰুষৰ মাজত শাৰীৰিক পাৰ্থক্যহে আছিল। তাৰ বাদে নাৰী পুৰুষতকৈ কোনোগুণে কম নাছিল। বৈদিক যুগত 'মনু' নামৰ ঋষি এজনে তেওঁৰ নিজৰ চিন্তা-চৰ্চাৰে লিখি উলিওৱা 'মনু সংহিতা'ত প্ৰথমতে মহিলাৰ সামাজিক স্থান নিম্ন স্তৰলৈ নি পুৰুষৰ ভোগৰ সামগ্ৰীলৈ ৰূপান্তৰিত কৰে। 'মনুবাদ'ৰ কু-সংস্কাৰৰ পৰিণতিত ভাৰতীয় সমাজত পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাই গা কৰি উঠে। ঔপনিৱেশিক শাসনকালত ব্ৰিটিছে আধুনিক শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰি নাৰী শিক্ষা আৰু সুৰক্ষাৰ ক্ষেত্ৰত প্ৰভূত অৱদান আগবঢ়াই থৈ গৈছে। সতীদাহ প্ৰথা বিলুপ্তকৰণ, বাল্যবিবাহ নিষিদ্ধকৰণ আৰু বিধৱা পুনৰ বিবাহ আদিৰ জৰিয়তে নাৰীক মানৱীয় দৃষ্টিকোণেৰে চোৱাৰ প্ৰৱণতা গঢ়ি তুলি আইন প্ৰণয়ন কৰিছিল। এইক্ষেত্ৰত কু-সংস্কাৰত ডুবি থকা ভাৰতীয় সমাজক পৰিৱৰ্তনৰ বাবে গঠিত হোৱা ব্ৰহ্ম সমাজ, প্ৰাৰ্থনা সমাজ, আৰ্য সমাজ আৰু ৰামকৃষ্ণ মিছনৰ প্ৰতিষ্ঠাতা ৰাজা ৰামমোহন ৰায়, কেশৱ চন্দ্ৰ সেন, স্বামী দয়ানন্দ সৰস্বতী আৰু স্বামী বিবেকানন্দই কু-সংস্কাৰ বিলুপ্তিৰ চেষ্টা কৰিছিল। তেখেতসকলে নাৰীৰ সবলীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। স্বামী বিবেকানন্দই কৈছিল, 'যি দেশ তথা জাতিয়ে নাৰীক সন্মান নকৰে, সেই দেশ বা জাতি মহান হ'ব পৰা নাই আৰু ভৱিষ্যতেও হ'ব নোৱাৰে।'

২০২৪ চনৰ ছেপ্টেম্বৰ মাহত অসমৰ কেইবাগৰাকী নাৰীয়ে কৰ্মক সন্মান জনাই আগবাঢ়ি গৈ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। আনে যোৱা বাটে নোযোৱা তিনিগৰাকী ছাত্ৰী আৰু এগৰাকী মহিলাই বৰ্তমান অসমৰ সামাজিক মাধ্যমত বহুলভাৱে চৰ্চিত কৰ্মযোগী হিচাপে পৰিগণিত হৈছে। আমাৰ সমাজ ব্যৱস্থাত দেখি থকা বাহিৰে ৰংচঙীয়া ভিতৰি কোৱাভাতুৰীলৈ পৰ্যবসিত হোৱা সমাজখনৰ বিপৰীতে একাগ্ৰতা, অধ্যৱসায়, চেষ্টা আৰু কৰ্মস্পৃহা জগাই তুলি ৰাজ্যখনৰ ভিতৰত অনন্য ৰূপত নিজক চিনাকি দিবলৈ সক্ষম হৈছে জোনাইৰ খুচী দে', দেৰগাঁৱৰ নিকিতা নেওগ আৰু শিমলুগুৰিৰ বেবী কোঁৱৰ। এওঁলোকে ৰাজ্যখনত হৈ থকা ৪১ ডিগ্ৰী চেলছিয়াছৰ প্ৰচণ্ড গৰমকো প্ৰত্যাহ্বান জনাই ৰ'দ-বৰষুণৰ বাধা নেওচি নিজৰ কৰ্তব্য সম্পাদন কৰি সকলোৰে আশীৰ্বাদ আৰু প্ৰশংসা বুলিবলৈ সক্ষম হৈছে। আনহাতে ৰাজ্যখনৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়লৈ সাহসিকতাৰ পৰিচয় দিয়া তেজপুৰৰ মিনুমা বড়োৰ ধৈৰ্য, সাহস আৰু উপস্থিত বুদ্ধিক সকলোৰে একমুখে প্ৰশংসাৰে ওপচাই পেলাইছে।

আনে যোৱা বাটে নোযোৱা ছোৱালীকেইজনীৰ এজনী হ'ল অসমৰ ধেমাজি জিলাৰ জোনাইৰ ২০২২-২৩ বৰ্ষৰ জোনাই বালিকা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদিকা খুচী দে'। সমাজতত্ত্ব বিভাগত ৬৮ শতাংশ নম্বৰ পাই প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল ছাত্ৰীগৰাকী। স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত স্বাধীনমনা ছোৱালীজনীয়ে চৰকাৰী আৰু বেচৰকাৰী চাকৰিৰ লোভত ঘৰত শুই-বহি সময় কটোৱা নাছিল। সদ্যসমাপ্ত চৰকাৰী চাকৰিৰ বাছনি পৰীক্ষাৰ ১২,৫০০ চাকৰিৰ বাবে ১১,০০,০০০ আবেদনৰ ওপৰত আস্থা নাৰাখি নিজ স্বাধীনচেতীয়া ব্যৱসায়ত গুৰুত্ব আৰোপ কৰি আৰ্থিক স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হোৱাই নহয়, সকলোৰে আদৰ্শ হৈ পৰিছে খুচী দে'। সৰুৰে পৰা আনে যোৱা বাটে নোযোৱা ছোৱালীজনীয়ে এতিয়া অসমৰ প্ৰচাৰ মাধ্যমত সকলোৰে আশীৰ্বাদ আৰু প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। যি সময়ত নিজক প্ৰচাৰৰ বাবে সামাজিক মাধ্যমত কিছুমান ছাত্ৰ-ছাত্ৰীয়ে চৌব্বিছ ঘণ্টা নিজৰ ম'বাইলত ফেচবুক, হোৱাটছএপ, ইনষ্টাগ্ৰামত ৰীলছ বনাই ব্যস্ত হৈ থাকে, সেই সময়তে খুচীয়ে সকলোকে এক অনন্য আদৰ্শ দেখুৱাই প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। জোনাইৰ তাকিৰ গাঁৱৰ বাসিন্দা খুচীয়ে কাহিলিপুৱাতে নিজৰ ঘৰৰ সকলো কাম সামৰি এখন স্কুটী লৈ ওলাই গৈ দাঁতি-কাষৰীয়া অঞ্চলসমূহত থকা

**ড° সীমান্ত বৰুৱা**

গাঁৱৰ সৰু সৰু দোকানবিলাকত বিক্ৰীৰ বাবে প্ৰয়োজনীয় সামগ্ৰীসমূহ যোগান ধৰে। এখন স্কুটীৰে সমগ্ৰ অঞ্চল ঘূৰি ক্ষুদ্ৰ ক্ষুদ্ৰ দোকানত প্ৰয়োজনীয় সামগ্ৰীসমূহ দি স্বাধীন ব্যৱসায় কৰি ঘৰখনৰ আৰ্থিক অৱস্থা টনকিয়াল কৰি গৈছে। কৰ্মক সন্মান জনাই পুৰুষ-মহিলাৰ কামক বিশেষীকৰণ নকৰি সকলো কৰ্মক শ্ৰদ্ধা কৰি আগুৱাই যোৱাটোৱেই তাই জীৱনৰ লক্ষ্য বান্ধি লৈছে। পুৰুষৰ সমানে সমানে যুৱতীসকলকো কৰ্মত পাৰ্থক্য নাৰাখি আত্মনিৰ্ভৰশীল হ'বলৈ আহ্বান জনালে স্বাধীন ব্যৱসায়ী খুচী দে'ই।

শিক্ষাৰ্থীসকলৰ মাজত অসম চৰকাৰে প্ৰথমবাৰৰ বাবে অনুষ্ঠিত কৰা মুখ্যমন্ত্ৰী বিজ্ঞান প্ৰতিভাসন্ধানী প্ৰতিযোগিতাখনত হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ মাজৰ পৰা সাতোটাকৈ ৰাউণ্ড অতিক্ৰম কৰি সৰ্বশেষত মূল পাঁচটা স্থানৰ শীৰ্ষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে দেৰগাঁৱৰ ৰেডিয়েণ্ট ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ বিজ্ঞান শাখাত অধ্যয়ন কৰি থকা ছাত্ৰী নিশিতা নেওগে। তেওঁ এই প্ৰতিভাৰ দ্বাৰা সম্পূৰ্ণৰূপে অসম চৰকাৰৰ খৰচত আমেৰিকাৰ 'নাছা' আৰু 'ইংলেণ্ডৰ কেম্ব্ৰিজ বিশ্ববিদ্যালয়' ভ্ৰমণ কৰিবলৈ সুযোগ লাভ কৰিছে। দেউতাক প্ৰাঞ্জল নেওগ আৰু মাতৃ বৈজয়ন্তী নেওগৰ কন্যা নিকিতাই মিছামৰা শংকৰদেৱ শিশু নিকেতনত শিক্ষাজীৱন আৰম্ভ কৰি নৱম শ্ৰেণীৰ পৰা মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰিছিল। এই বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ বৰ্তমান ৰেডিয়েণ্ট ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ বিজ্ঞান শাখাত অধ্যয়ন কৰি আছে। হাজাৰ হাজাৰ প্ৰতিযোগীৰ মাজত নিজক যোগ্য বিবেচিত কৰিবলৈ দেউতাকৰ সৰু বাছ কণ্ডাক্টৰৰ চাকৰিটোৰ সীমিত উপাৰ্জন যথেষ্ট নাছিল যদিও নিজৰ চেষ্টা আৰু অধ্যৱসায়ৰ বলত লক্ষ্যত উপনীত হোৱাটোত পৰিয়ালেই নহয়, জন্মস্থান মিছামৰা বাহৰুৱা গাঁৱৰ অঞ্চলবাসীও উৎফুল্লিত হৈপৰিছে। নিকিতাই ভৱিষ্যতে এগৰাকী সফল মহাকাশ বিজ্ঞানী হোৱাৰ উদ্দেশ্যে পঢ়া-শুনা কৰি আছে। ভৱিষ্যতে লক্ষ্যত উপনীত হোৱাটো সকলোৰে কামনা কৰিছে।

শিৱসাগৰ জিলাৰ শিমলুগুৰি ভৰলুৱা গাঁৱৰ সাধাৰণ পৰিয়ালৰ ছাত্ৰী বেবী কোঁৱৰ। জিলাখনৰ ঐতিহাসিক বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ পঞ্চম ষাণ্মাসিকৰ ছাত্ৰী বেবী কোঁৱৰে দেখুৱাইছে অনন্য পথ। পিতৃ এজন সাধাৰণ সৰু গাড়ীচালক আৰু মাতৃ ঘৰুৱা গৃহিণী। এগৰাকী বায়েক আৰু এটা সৰু ভায়েকৰ সৈতে জীৱন নিৰ্বাহ কৰা বেবীয়ে সদায় কেনেদৰে স্বনিৰ্ভৰশীল হ'ব পাৰি সেই সম্পৰ্কে সজাগ হৈ আছিল। গড়মূৰ বাঁহগড় ৰূপজ্যোতি হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ শিমলুগুৰি কাজিৰঙা একাডেমীত উচ্চতৰ মাধ্যমিকত শিক্ষাগ্ৰহণ কৰে। নিম্ন মধ্যবিত্ত পৰিয়ালটোৰ ছাত্ৰীগৰাকীক মাক-দেউতাকে উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ হোৱাৰ পিছত নগাঁও ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা শিক্ষাগ্ৰহণ কৰিবলৈ সুবিধা কৰি দিছিল। উক্ত প্ৰতিষ্ঠানৰ পৰা উত্তীৰ্ণ হৈ এটা স্থায়ী সংস্থাপন নোপোৱাত পুনৰ শিৱসাগৰ জিলাৰ উচ্চ শিক্ষানুষ্ঠান বীৰ লাচিত বৰফুকন মহাবিদ্যালয়ত সমাজতত্ত্ব বিভাগত নামভৰ্তি কৰি পঞ্চম ষাণ্মাসিকত অধ্যয়ন কৰে। পঢ়ি থকা সময়তে ঘৰখনৰ একমাত্ৰ উপাৰ্জনকাৰী দেউতাক কৃষ্ণ কোঁৱৰ বেমাৰত পৰাত অৰ্থনৈতিকভাৱে যথেষ্ট বিপদৰ সন্মুখীন হৈছিল। আনহাতে বৃদ্ধা আইতাকৰ দৰব-পাতিকে ধৰি খোৱা-লোৱাৰ তত্ত্বাৱধান ল'ব লগা হৈছিল বেবীয়ে। সৰু ভায়েকৰো বেমাৰৰ সু-চিকিৎসাৰ বাবে ৰাজ্যৰ বাহিৰলৈ নিব লগা হৈ আছে। বেবী কিন্তু ভাগৰি পৰা নাই। কাৰো দয়াৰ পাত্ৰ নহৈ এদিন কলেজলৈ আহি আমাক জনাইছিল যে ঘৰৰ পৰা কেইকিলোমিটাৰমান আঁতৰত কোম্পানী এটাৰ সামগ্ৰী লৈ ঘৰে ঘৰে ইকাৰ্ট কোৰিয়াৰ ডেলিভাৰী গাৰ্ল হিচাপে কৰ্মৰত হ'ব বিচাৰে। তাইৰ এগৰাকী শিক্ষক হিচাপে আমি কৰ্মৰ স্পৃহাৰ দেখি উদ্‌গনি যোগাবলৈ চেষ্টা কৰিছিলোঁ। এতিয়া তাই নিজকে স্বাৱলম্বিতাৰ নিদৰ্শন দাঙি ধৰি ছাত্ৰীসকলৰ আদৰ্শ হৈ পৰিছে। মহামানৱ জাতিৰ পিতা মহাত্মা গান্ধীয়ে বুনিয়াদী শিক্ষাৰ যি বাণী প্ৰচাৰ কৰিছিল সেই আদৰ্শ বেবী কোঁৱৰে গ্ৰহণ কৰিছে। শিক্ষাগ্ৰহণৰ সময়তে অৰ্থ উপাৰ্জনৰ পথৰ সন্ধান পোৱাটো তাইৰ ভৱিষ্যৎ জীৱনৰ বাবেই মংগলজনক। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কেইবাটাও পৰীক্ষাত অৱতীৰ্ণ হোৱা বেবী কোঁৱৰৰ এই পথৰ যাত্ৰা অবিৰতভাৱে বৈ থাকক।







অসমৰ তেজপুৰ জিলাৰ এগৰাকী উদ্যমী সাহসী মহিলা মিনুমা বড়োৱে কেৱল অসমতেই নহয়, সমগ্ৰ ভাৰতবৰ্ষলৈ বিশেষ বাৰ্তা কঢ়িয়াবলৈ সক্ষম হৈছে। তেওঁৰ নেতৃত্বত তেজপুৰ চহৰৰ পৰা ১৮জনীয়া এদল মহিলাৰ গোট হিমালয়ৰ পাদদেশত অৱস্থিত হিন্দু ধৰ্মাৱলম্বী পৱিত্ৰ স্থান কেদাৰনাথ, বদ্ৰীনাথ আৰু হৰিদ্বাৰ ভ্ৰমণৰ বাবে গৈছিল। তেওঁলোকে দিনটোৰ বাবে নিৰ্দিষ্ট কৰি এখন ট্ৰেভেলাৰ গাড়ী ভাৰালৈ লয়। তেওঁৰ নেতৃত্বত যোৱা দলটোৱে তীৰ্থস্থান কেদাৰনাথ দৰ্শন কৰি বদ্ৰীনাথলৈ গৈ থাকোঁতে গাড়ীখনৰ চালকজনৰ ষ্ট্ৰ'ক হৈ ড্ৰাইভিং ছিটতে অকাল মৃত্যুক সাবটি লয়। পাহাৰীয়া অঞ্চলৰ একা-বেঁকা পথেদি গৈ থাকোঁতে ঘটনাটো প্ৰত্যক্ষ কৰি মিনুমা বড়োৱে হঠাৎ গাড়ীখনৰ হেণ্ডব্ৰেক মাৰি গাড়ীখন পথৰ দাঁতিত ৰখাবলৈ সক্ষম হয়। গাড়ীচালক গোপাল শৰ্মাক কাষতে থকা এটা ছিটত শুৱাই লৈ গাড়ী চলোৱাত পাকৈত মিনুমা বড়োৱে নিজে পাহাৰীয়া একা-বেঁকা পথেদি ৩০ কিলোমিটাৰ গাড়ীখন চলাই এখন চিকিৎসালয়ত সোমোৱাই আন ১৮গৰাকী তীৰ্থযাত্ৰীৰ জীৱন ৰক্ষা কৰে।

ছেপ্টেম্বৰ মাহত অসমৰ নাৰীশক্তিৰ দ্বাৰা সংঘটিত ৰাজ্যৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়লৈকে সংবাদ শিৰোনাম আৰু সামাজিক মাধ্যমত বহুলভাৱে চৰ্চিত ঘটনাকেইটাই সকলোৰে বাবে প্ৰেৰণাৰ উৎস হৈ ৰ'ব। তেওঁলোকৰ আদৰ্শৰে সমাজৰ প্ৰতিগৰাকী মহিলাই নিজক সবল কৰিব লাগিব। পৰৰ আশাত ৰৈ থকা আৰু ভটিয়নি নাৰত যোৱা একে কথা। অতীতৰে পৰা মহিলাসকল বিভিন্ন দিশত বিভিন্ন ধৰণেৰে অৱনমিত, শোষিত, নিৰ্যাতিত আৰু নিষ্পেষিত হৈ আহিছে। নাৰীৰ মনত ভৰি থকা অজান শংকা ইয়াৰ বাবে দায়ী। এই শংকা নাৰী সমাজে দূৰ কৰি নিজৰ অধিকাৰ আঁজুৰি আনিবলৈ সক্ষম নহ'লে কোনোৱেই তেওঁলোকক আগবঢ়াই নিব নোৱাৰে। সেয়েহে খুচী দে', নিকিতা নেওগ, বেবী কোঁৱৰ আৰু মিনুমা বড়ো নাৰীশক্তিৰ আদৰ্শ হৈ সমাজত জিলিকি উঠক।

ফোন ঃ ৯৯৫৭৮-৯০৬৫৮

সুকন্যা
দেওবৰীয়া
দেওবাৰ, ২৭ অক্টোবৰ ২০২৪

## শব্দ চয়ন ঃ ১৩

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ১ | ■ | ২ | | ৩ | ■ | ৪ | ৫ | | ৬ |
| | ■ | ■ | ■ | | ■ | ৭ | | ■ | |
| | ■ | ৮ | ■ | | ■ | ■ | ■ | ■ | |
| ৯ | | | ■ | ১০ | ১১ | | ■ | ১২ | |
| | ■ | ১৩ | | ■ | | ■ | ১৪ | ■ | ■ |
| ■ | ■ | | ■ | ১৫ | ■ | ১৬ | | ■ | ১৭ |
| ১৮ | | ■ | ১৯ | | ২০ | ■ | ২১ | | |
| | ■ | ■ | ■ | ■ | | ■ | | ■ | |
| | ■ | ২২ | ২৩ | ■ | | ■ | ■ | ■ | |
| ২৪ | | | | ■ | ২৫ | | | ■ | |

**থিয়কৈ ঃ**
১। শিল্প-চাতুৰ্য (২+৩)
৩। এবিধ ওখ-ডাঙৰ গছ ( ৪)
৪। লগৰীয়া (২)
৫। লক্ষ্মী দেৱী, ভাৰ্যা (২)
৬। ৰং-ধেমালি কৰা ঘৰ (৪)
৮। পদুম (৪)
১১। গৃহ, ভৱন (২)
১৪। মেকুৰীৰ দৰে বনৰীয়া জন্তু (৪)
১৫। কৰ্ম, বন (২)
১৭। বৰকৈ বা কেইবা ঠাইতো ঘা লগা (২+৩)
১৮। নিয়মিত সীমা (৪)
২০। পানীত হোৱা এবিধ ক'লা পোক (৪)
২২। দ্ৰব্য, বস্তু (২)
২৩। নঙলা মাৰি (২)

**পথালিয়ে ঃ**
২। লগুৱা (৩)
৪। ইফাল-সিফাল (৪)
৭। শিৰামুৰি (২)
৯। পুষ্টি, লোধোমা (৩)
১০। উপশম, হ্ৰাস (৩)
১২। নাৱৰ দৰে ব্যৱহাৰ কৰা বাঁহ- কলগছ আদি (২)
১৩। পহৰা দিয়া (২)
১৬। এবিধ লাহী ধান (২)
১৮। ভোমোৰা (২)
১৯। কম্বল (৩)
২১। পৱন, বায়ু (৩)
২২। জৰীত গঁথা ফুল (২)
২৪। সমূলি নষ্ট কৰা (৪)
২৫। ঘোঁৰাত মানুহে ভৰি ৰাখিবৰ কাৰণে লগোৱা যতন (৩)

© দীপ্তি

## শব্দ চয়ন ঃ ১২ৰ উত্তৰ

**থিয়কৈ ঃ** ১। পাব ২। ফলি ৩। দাদন ৪। কঞ্জুছ ৬। দপনা ৭। জনাব ৮। চৌকা ৯। চুপহি ১০। জননী ১২। বাতুল ১৪। পাৰ্শ্ব ১৬। দৰব ১৭। পাইন ১৮। দুৰ্গম ১৯। দল ২০। হিম।

**পথালিয়ে ঃ** ৩। ফলদায়ক ৫। বদলা-বদলি ৭। জনাব ১০। জকা ১১। পশু ১৩। পান ১৪। পাহি ১৫। বাদল ১৯। দবহা-দবহি ২১। নভোমণ্ডল।



## মুখৰ উজ্জ্বলতা বৃদ্ধি কৰিবলৈ এই ধৰণে



# তুলসী জল ব্যৱহাৰ কৰক

**তুলসীৰ** বহুতো ঔষধি গুণ আছে, যিবোৰ আমাৰ শৰীৰ আৰু ছালৰ বাবে অতি উপকাৰী বুলি প্ৰমাণিত হৈছে।

**ছালৰ বাবে তুলসী পানীৰ উপকাৰিতা**

আয়ুৰ্বেদত বহু বছৰ ধৰি বহু ৰোগৰ চিকিৎসাৰ বাবে তুলসী ব্যৱহাৰ কৰা হৈছে। তুলসী কেৱল এবিধ উদ্ভিদ নহয়, আমাৰ ধৰ্মীয় অনুভূতিও ইয়াৰ লগত জড়িত হৈ আছে। তুলসীৰ বহুতো ঔষধি গুণ আছে, যিবোৰ আমাৰ শৰীৰ আৰু ছালৰ বাবে অতি উপকাৰী বুলি প্ৰমাণিত হৈছে। ই এক শক্তিশালী এণ্টিমাইক্ৰ'বিয়াল, যিয়ে ছালৰ বিভিন্ন ৰোগ আৰু সমস্যা নিৰাময় কৰাত সহায় কৰে আৰু ইয়াক স্বাস্থ্যকৰ কৰি তোলে। গতিকে মহিলাসকলে ছালৰ যত্নৰ ৰুটিনত কোনোবা নহয় কোনোবা প্ৰকাৰে তুলসীক অন্তৰ্ভুক্ত কৰিব লাগিব। বজাৰত এনে বহু সামগ্ৰী পাব, যিবোৰ তুলসীৰ দ্বাৰা তৈয়াৰ কৰা হয়।

**ছালত তুলসী জলৰ ব্যৱহাৰ**

যদি আপুনি আপোনাৰ ছালখন সুস্থ কৰি ৰাখিব বিচাৰে, তেন্তে ঘৰতে তুলসী জল বনাব পাৰে। ইয়াৰ বাবে বিশেষ সামগ্ৰীৰ প্ৰয়োজন নহয়। মাত্ৰ ৪০ৰ পৰা ৫০টা তুলসীৰ পাত, একাপ পানী, আধাকাপ গোলাপ জল আৰু নেমুৰ ৰস ল'ব লাগিব। তুলসী জল বনাবলৈ তুলসীৰ সকলো পাত এটা ডাঙৰ পাত্ৰত ৰাতিটো তিয়াই থৈ পিছদিনা ৰাতিপুৱা ঠাৰিবোৰ ভালদৰে পৃথক কৰিব লাগে। ইয়াৰ পিছত এটা সৰু বাটিত তুলসীৰ জল লৈ নেমুৰ ৰস আৰু গোলাপ জল ভালদৰে মিহলাই লওক। এই সকলোবোৰ মিহলি কৰাৰ পিছত স্প্ৰেৰ বটলত তুলসী জল ভৰাই নিয়মিতভাৱে দিনটোত দুবাৰৰ পৰা তিনিবাৰকৈ ব্যৱহাৰ কৰিব লাগে। ইয়াৰ দ্বাৰা আপুনি বহু উপকাৰ পাব। যদি আপোনাৰ ছালত কোনোধৰণৰ সংক্ৰমণ হয়, তেন্তে আপুনি দৈনিক তুলসী পানী ব্যৱহাৰ কৰিব লাগে। ইয়াৰ এণ্টি-ফাংগেল আৰু এণ্টি-বেক্টেৰিয়েল গুণ আছে। ৰাতিপুৱা মুখত তুলসী জল লগাই কিছু সময় ৰাখিব পাৰে। যদি আমি দৈনিক আমাৰ ছালত তুলসী পাত লগাওঁ, তেন্তে ই ৰক্ত সঞ্চালন উন্নত কৰে আৰু আমাৰ ছাল উজ্জ্বল কৰে। ইয়াৰ উপৰি যদি আপোনাৰ মুখত দাগ থাকে, তেন্তে সেইবোৰো ক্ৰমান্বয়ে কমিবলৈ আৰম্ভ কৰে। একে সময়তে তুলসীৰ বয়স বৃদ্ধি প্ৰতিৰোধী গুণো আছে আৰু ইয়াৰ পানী মুখত লগালে ছালখন টান হৈ পৰে। যদি আপোনাৰ ছালত কোনো এণ্টি-এজিং চিন থাকে, তেন্তে তুলসী পানী ব্যৱহাৰ কৰিলেও সেয়া কমি যাব। তেলীয়া ছালৰ লোকে মুখত তুলসী জল লগাব লাগে। কাৰণ ই অতিৰিক্ত তেল আঁতৰাই পেলায়।

## কুইজ বিচিত্ৰা-এঘাৰ

❑ নৱকান্ত বৈশ্য

**পৰ্যায়ক্ৰমে** আন্তঃৰাষ্ট্ৰীয় সমাদৰ লাভ কৰা ভাৰতীয় উৎসৱসমূহৰ এক অন্যতম উৎসৱ হৈছে দেৱালী অথবা দীপাৱলী। বিগত কেইটামান বছৰত আমি দেখি আহিছোঁ যে ডু বাইৰ 'বুৰ্জ খলিফা' সমন্বিতে বিশ্বৰ বহুকেইটা গুৰুত্বপূৰ্ণ স্থান দীপাৱলীৰ দিনা আলোকসজ্জিত কৰি তোলা হয়। জাপান, চীন, থাইলেণ্ড, ফ্ৰান্স, নেদাৰলেণ্ড ইত্যাদি দেশত বিভিন্ন উপলক্ষত পোহৰৰ উৎসৱ উদ্‌যাপনৰ ইতিহাস আছে। 'নিয়মীয়া বাৰ্তা'ৰ সৈতে জড়িত সকলোকে আগন্তুক দীপাৱলীৰ শুভকামনা জনাই আমাৰ আজিৰ শিতান পোহৰৰ উৎসৱৰ কেইটামান তথ্যৰে সজোৱা হৈছে।

কুইজৰ বাতৰি তথা যিকোনো তথ্য প্ৰকাশৰ বাবে আমাৰ শ্ৰদ্ধাৰ পাঠকসকলে ৮৬৩৮৩-৭৮৩৬৯ ম'বাইল নম্বৰত এছ এম এছ বা হোৱাট্ছএপযোগে অথবা quizbichitra@gmail.comত ই-মেইলযোগে প্ৰেৰণ কৰিব পাৰে।

### সংবাদ শিৰোনাম

১. প্ৰাবয়ো সুবিয়াণ্টো কোনখন দেশৰ নৱনিৰ্বাচিত ৰাষ্ট্ৰপতি?

২. কিছুদিন আগতে মণিপুৰত আয়োজিত 'মাৰা হাউ চংবা' উৎসৱৰ বিশেষ উদ্দেশ্য কি?

৩. আন্তঃৰাষ্ট্ৰীয় জ্যোতিৰ্বিজ্ঞান ফেডাৰেচনৰ দ্বাৰা অলপতে কোন ভাৰতীয়ক 'আন্তঃৰাষ্ট্ৰীয় মহাকাশ বঁটা' প্ৰদান কৰা হৈছে?

৪. ভাৰতীয় সেনাৰ বহুমুখী আঁচনি 'মাল্টি পাৰপজ ভেচেল'ৰ অধীনত মুকলি কৰা প্ৰথমখন বাহনৰ নাম কি?

৫. 'ভাৰতীয় সংবিধানৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে ভাৰত চৰকাৰে আৰম্ভ কৰা অভিযানটোৰ নাম কি?

### দীপাৱলী

১. দীপাৱলীৰ আনন্দ উৎসৱ উদ্‌যাপনৰ সময়ত ভাৰতবৰ্ষত যি আতচবাজী ব্যৱহাৰ কৰা হয় তাৰ ৯০ শতাংশ চাহিদা তামিলনাডুৰ এখন ক্ষুদ্ৰ চহৰে পূৰণ কৰে। দ্ৰুত উদ্যোগিক উন্নয়নৰ বাবে 'ভাৰতৰ ক্ষুদ্ৰ জাপান' নাম লাভ কৰা এই চহৰখনৰ নাম কি?

২. ১৫৮১ চনৰ দীপাৱলীৰ দিনটোত ভাৰতৰ কোনটো বিখ্যাত ধৰ্মীয় পৰ্যটনস্থলীৰ নিৰ্মাণ আৰম্ভ কৰা হৈছিল?

৩. ভাৰতবৰ্ষৰ বহুকেইখন ৰাজ্যত দীপাৱলীৰ প্ৰথম দিনটো 'ধনতেৰাছ' ৰূপে পালন কৰা হয়। ২০১৬ চনৰ ২৮ অক্টোবৰৰ পৰা কেন্দ্ৰীয় আয়ুস মন্ত্ৰালয়ৰ উদ্যোগত এই ধনতেৰাছৰ দিনটো এটা বিশেষ দিৱস ৰূপে পালন কৰা হয়। কি দিৱস জানেনে?

৪. ২০০০ চনৰ যশ চোপ্ৰা প্ৰযোজিত আৰু আদিত্য চোপ্ৰা পৰিচালিত 'মোহব্বতে' নামৰ ছবিখনৰ এটা সম্পূৰ্ণ গীত দীপাৱলী উদ্‌যাপনৰ দৃশ্যৰে চিত্ৰায়িত কৰা হৈছিল। কোনটো গীত মনত আছেনে?

৫. উত্তৰ ভাৰতত শ্ৰীৰামচন্দ্ৰই ৰাৱণ বধ কৰি অযোধ্যালৈ আগমন উপলক্ষে দীপাৱলী পালন কৰা হয় বুলি বিশ্বাস কৰা হয়। কিন্তু দক্ষিণ ভাৰতত কি উপলক্ষত দীপাৱলী পালন কৰা হয় বুলি জনশ্ৰুতি আছে?

### কুইজ বিচিত্ৰা (দহ)ৰ উত্তৰসমূহ

১. নিচাযুক্ত দ্ৰব্য সৰবৰাহ ৰোধ আৰু নিচাসক্ত লোকৰ নিচামুক্তিৰ ব্যৱস্থা কৰা।
২. টিউনিছিয়া।
৩. ইৰান।
৪. লিবাৰেল ডেমোক্ৰেটিক পাৰ্টী।
৫. আই আই টি মাদ্ৰাজ।
৬. নিউয়ৰ্কৰ কৰ্নৱেল বিশ্ববিদ্যালয়।
৭. লণ্ডনস্থিত ব্ৰিটিছ-ডাচ্চ ষ্টীল কোম্পানী 'কোৰাছ' (Corus) ক্ৰয় কৰাৰ সিদ্ধান্ত।
৮. ব্ৰিটিছ পৰম্পৰা অনুসৰি বেংক বন্ধৰ দিনা চৰকাৰী-বেচৰকাৰী কাৰ্যালয়সমূহ বন্ধ ৰখা হয়। কিন্তু সেই দিনা ৰতন টাটাই নিজৰ মালিকানাধীন লণ্ডনৰ 'জাগোৱাৰ-লেণ্ড ৰোভাৰ'ৰ বিষয়া-কৰ্মচাৰীক কাৰ্যালয় খুলি নতুন কৰ্ম-সংস্কৃতি গঢ়িবলৈ বাধ্য কৰাইছিল।
৯. Tetley.
১০। ফ্ৰান্স।
১১। আকাশ্বী শ্বিগানোচুকে।

### সপ্তাহটোৰ প্ৰশ্ন

**ছুইডেনৰ** ৰাষ্ট্ৰীয় বেংক ৰিক্স বেংকে ১৯৬৮ চনত তেওঁলোকৰ ত্ৰি-শতবাৰ্ষিকী কিদৰে উদ্‌যাপন কৰি ইতিহাস সৃষ্টি কৰিছিল?

## ৰেচিপি



# শৰতৰ শেৱালিৰে উঁৰিকনাৰ জুতি

**উপকৰণ ঃ** শেৱালি ফুল, উঁৰিকনা মাছকেইটামান পোৱাল বেঙেনা, নহৰু, ২/৩ কোঁহ, কেঁচা বা পকা জলকীয়া, ফোৰণৰ বাবে কালজিৰা, নিমখ হালধি।

**প্ৰণালী ঃ** উঁৰিকনা মাছখিনি পৰিষ্কাৰ কৰি ধুই নিমখ-হালধি (কমকৈ) সানি ল'লোঁ। ফুলখিনি ধুই পানী নিগৰিবলৈ চালনি এখনত টুকি ল'লোঁ। কোমল পোৱাল বেঙেনাকেইটা ধুই মিহিকৈ চকলিয়াই কাটি খাৰ যাবলৈ নিমখ পানীত তিয়াই থ'লোঁ। নহৰুকেইকোঁহ থেতেলিয়াই ল'লোঁ।

এইবাৰ কেৰাহী গৰম কৰি তেল ঢালি মাছখিনি কমকৈ ভাজি টুকি থ'লোঁ। ৰৈ যোৱা তেলখনত কালজিৰা, ফোৰণ দি নহৰুকেইটা ভাজি নিমখ পানীৰ পৰা টুকি আকৌ এবাৰ ধুই লোৱা বেঙেনাখিনি দি কমকৈ নিমখ-হালধি ছটিয়াই সিজিবলৈ ঢাকোন দিলোঁ। দুবাৰমান লৰাই সিজা সিজা যেন লগাত মাছখিনি ঢালি দিলোঁ। লগতে কেঁচা জলকীয়াও মিহিকৈ কুটি দি ভালদৰে লৰাই দিলোঁ। সকলোখিনি মিহলি হোৱাত ফুলখিনিও দি ঠিকমতে লৰাই সিজিবলৈ ঢাকোন দিলোঁ। মাজে মাজে লৰাই দি ফুলৰ সৈতে সকলোখিনি মজি মিহলি হলত গেচৰ জুই নুমাই কিছুসময় গৰম চৌকাৰ ওপৰতে ৰাখি চীনা মাটিৰ পাত্ৰত টুকি থ'লোঁ।



❑ জুৰি বৰঠাকুৰ

# তিল, নৰসিংহ পাতেৰে মাছ



**উপকৰণ ঃ** শ'ল মাছ, নৰসিংহৰ কোমল পাত, ক'লা তিল, আলু, নহৰু, জালুক, নিমখ, হালধি, গৰম পানী।

**প্ৰণালী ঃ** শ'ল মাছ বাচি কাটি ধুই নিমখ, হালধিৰ লগতে নামমাত্ৰ মিঠাতেল সানি এটা পাত্ৰত থ'লোঁ। আলুৰ বাকলি গুচাই ধুই সিজাই ল'লোঁ। তিলখিনি ভাজি মিহিকৈ পিহি ল'লোঁ। নৰসিংহৰ পাত, নহৰু, জালুক খুন্দনাত মিহিকৈ খুন্দি ল'লোঁ।

এইবাৰ গৰম তেলত মাছকেইকণ ভাজিলোঁ। জুইৰ কম তাপত শ'ল মাছ ভাজোতে অধিক সময় লাগে, সেয়েহে ঢাকোন দি ভাজি ল'লোঁ। এইবাৰ এটা পাত্ৰত মছিকেইকণ টুকি থৈ কেৰাহীৰ বাকী তেলকণত পাঁচফোৰণ ফুটাই সিজোৱা আলু দি নিমখ-হালধিও ছটিয়াই দি ভালদৰে লৰাই সিজিবলৈ ঢাকোন দিলোঁ। আলুখিনি আধা ভজা হওঁতেই কাটি থোৱা নৰসিংহ পাতৰ মিশ্ৰণখিনি দি ভালদৰে লৰাই সিজিবলৈ ঢাকোন দিলোঁ। আলু আৰু শাক একেলগে মিহলি হৈ পৰাত ভজা সুগন্ধময় হৈ উঠাত হেতাৰ পিঠিৰে আটাইখিনি একেলগে হেঁচুকি পিহি ওপৰত মাছখিনি দিলোঁ। অলপ ভালদৰে লৰাই জুইৰ তাপ বঢ়াই দি অনুপান অনুসৰি গৰম পানী ঢালি উতলালোঁ আৰু জুইৰ তাপ কমাই দি মধ্যমীয়া কৰিলোঁ। লগে লগেই ভাজি থোৱা তিলৰ গুড়িখিনিও ছটিয়াই দিলোঁ। ভালদৰে উতলি আঞ্জাখন ডাঠ হোৱাত ৪/১ চামুচমান জালুকৰ গুড়ি ছটিয়াই জুই নুমালোঁ। কিন্তু পাত্ৰটো গৰম বাৰ্নাৰৰ ওপৰতে কিছুসময় থৈ এটা পাত্ৰত ঢালি থ'লোঁ।

## সপ্তাহটোৰ আলোকচিত্ৰ



মডেল ঃ পৰিশ্ৰী হাজৰিকা
ফটো ঃ নৱ গ্ৰাফিক্স

প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ হৈ ভবেশ চন্দ্ৰ ডেকাৰ দ্বাৰা বৰাগাঁও, গুৱাহাটী-৩৩, মৰাণ-ডিব্ৰুগড়, বিশ্বনাথ চাৰিআলি আৰু আগিয়া, গোৱালপাৰাৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত ❑ যোগাযোগৰ ঠিকনা ঃ নিউজ লাইভ বিল্ডিং, খ্ৰীষ্টানবস্তি, গুৱাহাটী- ৫
Published and Printed by Bhabesh Chandra Deka on behalf of Pride East Entertainment (P) Ltd. Boragaon-Guwahati, Moran-Dibrugarh, Biswanath Chariali, Agia-Goalpara, Office Address : News Live Building, Christian Basti, Guwahati-5, Executive Editor : Amal Das , Editor : Naresh Kalita
❑ ফোন ঃ গুৱাহাটী (০৩৬১) ২৩৪০৯০০/২৩৪১২০১/২৩৪১২০২ ❑ যোৰহাট ঃ (০৩৭৬) ২৩০০১৪৪ ❑ ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৬৭৬৮ ❑ ই-মেইল ঃ niyamiyabarta@gmail.com, বিজ্ঞাপন বিভাগৰ ই-মেইল ঃ niyamiyaadvt@prideeast.com
❑ কাৰ্যবাহী সম্পাদক ঃ অমল দাস ❑ সম্পাদক ঃ নৰেশ কলিতা